অধ্যায় ৪ ঃ বৰ অসম ঃ সমন্বয় আৰু সমাহৰণ

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ অসম নামৰ উৎপত্তি
৪.৪ অসমৰ ভৌগোলিক অৱস্থিতি
৪.৫ সমন্বয় আৰু সমাহৰণ
৪.৫.১ অসমৰ জনগাঁথনি
৪.৫.২ ভাষা আৰু সাহিত্য
৪.৫.৩ ধর্ম
৪.৫.৪ উৎসৱ-পার্বণ
৪.৫.৫ সামাজিক লোকাচাৰ
৪.৫.৬ খাদ্য
৪.৫.৭ সাজপাৰ
৪.৫.৮ অলঙ্কাৰ
৪.৫.৯ সঙ্গীত
৪.৫.১০ পৰিৱেশ্য কলা
৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৭ অধিক জানিবলৈ
৪.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৪.৯ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- 'বৰ-অসম'ৰ স্বৰূপ উপলব্ধি কৰিব পাৰিব
- 'বৰ-অসম'ৰ ৰাজনৈতিক আৰু ভৌগোলিক স্থিতি সম্পর্কে ধাৰণা কৰিব পাৰিব
- 'সমন্বয়' প্রক্রিয়াৰ বিষয়ে আলোচনা কৰিব পাৰিব
- অসমীয়া সংস্কৃতিত সমন্বয় প্রক্রিয়াৰ অন্তর্নিহিত গুৰুত্ব ব্যাখ্যা কৰিব পাৰিব
- 'সমাহৰণ' সম্পর্কে ধাৰণা লাভ কৰিব পাৰিব
- সংস্কৃতিৰ সমন্বয়ত সমাহৰণ প্রক্রিয়াৰ গুৰুত্ব সম্পর্কে জানিবলৈ সক্ষম হ'ব
- সাংস্কৃতিক বিনিময় আৰু সমাহৰণৰ অস্তিত্বৰ বিষয়ে জানিব পাৰিব
- সংস্কৃতি গ্রহণ আৰু সাংস্কৃতিক উত্তৰাধিকাৰ সম্পর্কে স্পষ্ট ধাৰণা লাভ কৰিব পাৰিব।

৪.২ পৰিচয়

'অসমীয়া সংস্কৃতি' পাঠ্যবিষয়ৰ অন্তর্গত এইটো চতুর্থ অধ্যায়। 'বৰ অসম ঃ সমন্বয় আৰু সমাহৰণ' নামৰ এই অধ্যায়টো পাঠ্যবিষয়ৰ এটা অতি তাৎপর্যপূর্ণ অধ্যায়। ইয়াৰ পূর্বৰ তিনিটা অধ্যায়ত সংস্কৃতিৰ স্বৰূপ বিচাৰ কৰাৰ লগতে অসমীয়া লোকসংস্কৃতিৰ পৰিচয় তথা লোকসংস্কৃতিৰ শ্রেণীবিভাজন সম্পর্কে অধ্যয়ন কৰিলে। সেই তিনিওটা অধ্যায়ৰ লগত এই অধ্যায়টোৰ সম্পর্ক আছে।এই অধ্যায়টোৰ আলোচনাই পাঠ্যবিষয়ৰ অন্তর্গত পৰৱর্তী অধ্যায়কেইটাৰ আলোচনা সুগম কৰি তুলিব। এই অধ্যায়টোত মূলতঃ 'বৰ অসম'ৰ ধাৰণাটোৰ লগত শিক্ষার্থীক পৰিচয় কৰাই দিবলৈ চেষ্টা কৰা হৈছে। তাৰ লগতে 'সমন্বয়' আৰু 'সমাহৰণ' এই দুটা পদৰ যথাযোগ্য ব্যাখ্যা আগবঢ়াবলৈ প্রয়াস কৰা হ'ব।

৪.৩ অসম নামৰ উৎপত্তি

'অসম' নামটো অর্বাচীন। আহোমসকলে এই দেশ শাসন কৰাৰ আগলৈকে এই বৃহৎ দেশখন প্রাগজ্যোতিষপুৰ, কামৰূপ ইত্যাদি নামেৰে জনাজাত আছিল। ইতিহাসৰ বিভিন্ন ক্ষণত বৃহত্তৰ প্রাগজ্যোতিষপুৰ কামৰূপৰ সীমাই বর্তমান অসম ভূখণ্ডৰ লগতে পশ্চিমবঙ্গ, বিহাৰ, ওডিসা, নেপাল, বাংলাদেশ আদিৰ কিছু অংশ সামৰি বিস্তৃতি লাভ কৰিছিল। পুৰণি প্রাগজ্যোতিষ-কামৰূপৰ সীমা-নির্দ্ধাৰক হিচাপে কৰতোৱা নদীৰ উল্লেখে এই কথা উপলব্ধিত সহায় কৰে। *কালিকাপুৰাণ, যোগিনীতন্ত্র* প্রভৃতি পুৰণি গ্রন্থত নেপালৰ কাঞ্চন প্রদেশৰ পৰা ব্রহ্মপুত্রৰ সঙ্গম স্থললৈ, উত্তৰে কঞ্জুগিৰি আৰু পশ্চিমে কৰতোৱালৈ এই দেশৰ বিস্তৃতিৰ বর্ণনা পোৱা যায়। কোচ ৰাজবংশৰ ৰাজত্বকালত গৌড় ৰাজ্য, কমতাৰাজ্য আদিয়ে কোচবিহাৰ, জলপাইগুৰি, ৰংপুৰ, দিনাজপুৰ, শ্রীহট্ট আদি প্রদেশো সামৰি লোৱা বুলি জনা যায়।

অসমৰ পুৰণি নাম আছিল প্রাগজ্যোতিষপুৰ আৰু কামৰূপ। সমুদ্রগুপ্তৰ এলাহবাদ প্রশস্তিত প্রথমে কামৰূপ নামৰ উল্লেখ পোৱা যায়। *ৰামায়ণ, মহাভাৰত* প্রভৃতি গ্রন্থত এই ভূখণ্ডক বুজাবৰ কাৰণে প্রাগজ্যোতিষপুৰ নামটো ব্যৱহাৰ কৰা হৈছে। *কালিকাপুৰাণ* আৰু *যোগিনীতন্ত্র* গ্রন্থত পুৰণি কামৰূপৰ ভৌগোলিক সীমাৰেখাৰ বর্ণনা পোৱা যায়। *হৰগৌৰী সংবাদ* গ্রন্থত পুৰণি কামৰূপক চাৰিখন পীঠত ভাগ কৰি দেখুওৱা হৈছে। একোখন প্রধান নদীক সীমা ৰূপে লৈ এই পীঠসমূহৰ সীমা নির্দ্ধাৰণ কৰা হৈছে।

ক) ৰত্নপীঠ— কৰতোৱা নদীৰ পৰা সোণকোষ নদীলৈকে।

খ) কামপীঠ— সোণকোষৰ পৰা কপিলী নদীলৈকে।

গ) স্বর্ণপীঠ— পুষ্পিকাৰ পৰা ভৈৰৱী নদীলৈ, আৰু

ঘ) সৌমাৰপীঠ— ভৈৰৱীৰ পৰা দিকৰাই নদীলৈ।

অসম নামৰ উৎপত্তি সম্পর্কত বিভিন্ন মত পোৱা যায়। অসম দেশ খলা-বমা, অসমান, পর্বত পাহাৰ আদিৰে আগু�ৰা। অসমান অর্থত অসম হোৱা বুলি কোনো কোনোৱে মত দাঙি ধৰা

দেখা যায়। গতিকে অসম ভূখণ্ড নৈ, জান-জুৰি, পর্বত-পাহাৰেৰে অসমান হোৱা বাবেই ইয়াৰ নাম অসম হ'ল। সকলো দিশৰ পৰা অতি মৰমৰ, প্রাকৃতিক সৌন্দর্যৰ ভৰপূৰ অতি বিনন্দীয়া এই জন্মভূমি অসমত আহোমসকলে ৰাজত্ব কৰাৰ পৰাই (১২২৮-১৮২৬ খ্রী.) আহোম শব্দৰ পৰা পাছলৈ অসম নামৰ উৎপত্তি হোৱা বুলিও মতবাদ প্রচলিত আছে।

সংস্কৃতত 'অ-সম' শব্দটোৰ অর্থ অদ্বিতীয় (Unique) বা প্রতিদ্বন্দ্বীহীন। বাণীকান্ত কাকতিয়ে মত প্রকাশ কৰে যে 'আসাম' শব্দৰ জন্ম হৈছে যাৰ সমান কোনো নাই যে অপৰাজিত বুজাবলৈ। বৈচিত্রময় ঐক্যৰে ভৰপূৰ উত্তৰ-পূব ভাৰতৰ প্রধান ৰাজ্য Assam নামটো শেহতীয়াভাৱে Asom হিচাপেও গ্রহণ কৰা হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ পুৰণি অসমত কেইখন পীঠ আছিল আৰু কি কি?
(১০০টা শব্দৰ ভিতৰত লিখক)

৪.৪ অসমৰ ভৌগোলিক অৱস্থিতি

অসমৰ ভৌগোলিক অৱস্থিতি হিচাপে দেশখন ভাৰতৰ পূব প্রান্তত অৱস্থিত। ভৌগোলিক অৱস্থান অনুসৰি অসম ৯০ ডিগ্রী পূব দ্রাঘিমাৰ পৰা ৯৭ ডিগ্রী পূব দ্রাঘিমালৈ আৰু ২৪ ডিগ্রী উত্তৰ অক্ষাংশৰ পৰা ২৮ ডিগ্রী উত্তৰ অক্ষাংশত অৱস্থিত। অসমৰ উত্তৰে ভূটান আৰু অৰুণাচল প্রদেশ; পূবে অৰুণাচল নগালেণ্ড আৰু মণিপুৰ, পশ্চিমে বাংলাদেশ আৰু পশ্চিমবঙ্গ; দক্ষিণে মিজোৰাম, ত্রিপুৰা আৰু মেঘালয় ৰাজ্য অৱস্থিত। অসমৰ মুঠ মাটিকালি ৭৮,৪৩৮ বর্গকিলোমিটাৰ।

প্রাকৃতিকভাৱে অসমক প্রধানকৈ তিনিটা ভাগত বিভক্ত কৰিব পাৰি। উত্তৰত পূবা-পশ্চিমাকৈ (ক) ব্রহ্মপুত্র উপত্যকা, দক্ষিণত (খ) বৰাক উপত্যকা আৰু এই দুই উপত্যকাৰ মাজত (গ) কার্বি আংলং আৰু উত্তৰ কাছাৰৰ পাহাৰীয়া অঞ্চল।

অসমৰ মাটিকালি বা আয়তন মুঠ ৭৮,৪৩৮ বর্গ কিলোমিটাৰ আৰু ইয়াৰ বনাঞ্চলৰ পৰিমাণ মুঠ ২৫,৯৭৭ বর্গ কিলোমিটাৰ। এই দেশৰ জলবায়ু গৰম আৰু সেমেকা মৌচুমী জলবায়ু। গড় তাপমাত্রা গ্রীষ্মকালত গড়ে ৩০° ডিগ্রী চেলচিয়াচ আৰু শীতকালত গড়ে ১৬° চেলচিয়াছ। অসমত গড় হিচাপত বছৰি ১৭৮ চেন্টিমিটাৰৰ পৰা ৩০৫ চেন্টিমিটাৰলৈ বৰষুণ হয়। অসমৰ প্রধান ভাষা অসমীয়া যদিও বৰাক উপত্যকাত প্রধান ভাষা বাংলা। অসমৰ বর্তমানৰ ৰাজধানী দিছপুৰ (গুৱাহাটী)। ১৯৭৪ চনত তদানীন্তন মুখমন্ত্রী শৰৎ চন্দ্র সিংহৰ দিনত চিলঙৰ পৰা অসমৰ ৰাজধানী দিছপুৰলৈ স্থানান্তৰ কৰা হয়। ২০১১ চনৰ লোকপিয়ল অনুসৰি অসমৰ মুঠ জনসংখ্যা ৩,১২,০৫,৫৭৬ জন।

অসমৰ বর্তমান স্বাক্ষৰতাৰ হাৰ ৭১.১২ শতাংশ। ইয়াৰে পুৰুষৰ হাৰ ৭৭.৮৫ শতাংশ আৰু মহিলাৰ হাৰ ৬৬.২৭ শতাংশ। অসমত বর্তমান ৩২ খন জিলা আৰু ৮০টা মহকুমা আছে।

অসমীয়া সংস্কৃতিৰ বিষয়ে জানিবলৈ হ'লে 'বৰ অসম' সম্পর্কে স্পষ্ট ধাৰণা থাকিব লাগিব। মহাবাহু ব্রহ্মপুত্র যেনেদৰে বিভিন্ন-উপনদীৰ সমন্বিত ৰূপত আত্মপ্রকাশ কৰি অসমৰ মাজভাগেদি পূবৰ পৰা পশ্চিমলৈ ধাৱমান হৈ বঙ্গোপসাগৰত পৰিছেগৈ, অনুৰূপভাবে অসমীয়া সংস্কৃতিও বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক বিনিময়, সংস্কৃতি গ্রহণ আৰু সমন্বয়ৰ পৰিণতিত সৃষ্টি হৈছে। সেয়ে বৰ অসমৰ সংস্কৃতি দৰাচলতে বৃহত্তৰ ভাৰতীয় সংস্কৃতিৰ পূৰ্বোত্তৰৰ এক পৰিপূর্ণ সংস্কৰণত পৰিণত হৈছে।

বৰ অসমে আধুনিক কালছোৱাৰ সাম্প্রতিক ভৌগোলিক ভূখণ্ডৰ পৰিৱর্তে স্বাধীনতাৰ পূর্বকালৰ বা সমসাময়িক বৃহত্তৰ ভূখণ্ডৰ প্রতীক তাৎপর্য বহন কৰিছে; য'ত অসম, মেঘালয়, মণিপুৰ, ত্রিপুৰা, মিজোৰাম, নগালেণ্ড আৰু অৰুণাচল প্রদেশকো সামৰি লৈছে।

আমাৰ অধ্যয়নৰ উদ্দেশ্য হৈছে ইতিহাসৰ বিভিন্ন সময়ত এই দেশলৈ প্রবজিত হোৱা জনগণৰ আদান-প্রদান, বিনিময় আৰু সংস্কৃতি-গ্রহণৰ যোগেদি কেনেদৰে সমন্বয় আৰু সমাহৰণৰ মাজেদি বৃহত্তৰ অসমীয়া জাতিগঠন সম্ভৱ হৈ উঠিছে, সেই বিষয়ে অৱগত কৰোৱা।

'বৰ অসম' বুলি কওঁতে বর্তমানৰ ভৌগোলিক তথা ৰাজনৈতিক সীমাৰ অতিৰিক্তভাৱে অৰুণাচল, মণিপুৰ, মেঘালয়, ত্রিপুৰা, নগালেণ্ড, মিজোৰাম প্রভৃতিক সামৰি লৈ বৰ অসমৰ কথা কোৱা হৈছে। অসমীয়া সংস্কৃতি দৰাচলতে এই বৃহৎ অঞ্চলটোৰ সমন্বয়ৰ সংস্কৃতি। বিভিন্ন জাতি, জনগোষ্ঠী, সম্প্রদায়ৰ মিলনভূমি উত্তৰ-পূর্বাঞ্চলেই দৰাচলতে বৰ অসম। এই বৃহত্তৰ অঞ্চলটোলৈ খাদ্য, জনবসতি, ব্যৱসায়-বাণিজ্য, পশুপালন, চিকাৰ, কৃষিভূমিৰ সন্ধান আৰু অন্যান্য ৰাজনৈতিক, সামাজিক, ধর্মীয় আৰু অর্থনৈতিক দিশৰ যি বিনিময় ঘটিল, তাৰ আধাৰতেই বৰ অসমৰ সংস্কৃতিৰ বৰভেটি নির্মিত হৈছে।

এই আলোচনাত বৰ অসমৰ সংস্কৃতি গঢ়ি তোলাত সমন্বয় আৰু সমাহৰণ প্রক্রিয়াই কেনেদৰে প্রভাৱ বিস্তাৰ কৰিছে, সেই বিষয়ে আলোচনা কৰিবলৈ প্রয়াস কৰা হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ অসমৰ ভৌগোলিক অৱস্থিতিৰ বিষয়ে চমুকৈ লিখক। (১৫০টা শব্দৰ ভিতৰত লিখক)

৪.৫ সমন্বয় আৰু সমাহৰণ

সংস্কৃতি হৈছে এটা জাতি বা এখন সমাজৰ পৰা নিগৰি ওলোৱা এখন ছবি। ই মানৰ জীৱনৰ সৈতে জড়িত এটি চিৰন্তন সম্পদ। সংস্কৃতিৰ ধাৰণাটো অতি বিস্তৃত। মানুহে জীৱন-যাপনৰ স্বার্থত ইজনে-সিজনৰ সৈতে মিলিবৰ বাবে ভালেমান বিষয়ত আদান-প্রদান আৰু বিনিময় কৰে। ফলত পাৰস্পৰিক ৰীতি-নীতি, বিশ্বাস-পৰম্পৰা, আদর্শ আদিৰ লগতে স্থাপত্য, ভাস্কর্য, চিত্রকলা, সঙ্গীত, সাহিত্য, সাজপাৰ, অলঙ্কাৰ, আহাৰ-বিহাৰ, প্রভৃতি বিভিন্ন দিশত যুগ যুগ ধৰি আদান-প্রদান

আৰু বিনিময়ৰ যোগেদি ভাৰতীয় সংস্কৃতিয়ে বিকশিত ৰূপ লাভ কৰিছে। দৰাচলতে ভাৰতীয় সংস্কৃতি বিভিন্ন জনগোষ্ঠীৰ সংমিশ্রণ আৰু সমন্বয়ৰ পৰিণতি। অসমীয়া সংস্কৃতিও তাৰ ব্যতিক্রম নহয়।

দৰাচলতে সমন্বয় ঘটা ঐতিহাসিক প্রক্রিয়া। যুগ যুগ ধৰি অসমৰ বুকুলৈ বিভিন্ন জনগোষ্ঠীৰ মানুহৰ প্রব্রজন ঘটিছে। আর্য্য আৰু আর্য্যভিন্ন জনগোষ্ঠীৰ এনে প্রবাহমান ধাৰাৰ বাবেই অসমৰ সংস্কৃতিয়ে বর্ণাঢ্য ৰূপ লাভ কৰিছে। 'কিৰাত, কছাৰী, গাৰো, খাচি, মিৰি, যৱন কঙ্ক, গোৱাল' প্রভৃতিৰ কথা শঙ্কৰদেৱে কৈ যোৱাৰ দৰেই ৰবীন্দ্রনাথেও 'হেথায় আর্য্য হেথায় অনার্য্য, হেথায় দ্রাবিড় চীন; শক হূন দল পাঠান মোগল একদেহে হ'ল লীন' বুলি ভাৰতীয় সংস্কৃতিৰ সমন্বয়ৰ দিশটোৱেই সূচনা কৰিছে।

অসমৰ জনগোষ্ঠীৰ গাঁথনিৰ দিশলৈ লক্ষ্য কৰিলে দেখা যায় যে *ৰামায়ণ, মহাভাৰতৰ* দিনৰে পৰা ইয়াত অষ্ট্রিক, মঙ্গোলীয়, দ্রাবিড়, প্রভৃতি বিভিন্ন নৃগোষ্ঠীয় লোকে বসবাস কৰি আহিছে। আর্য্যসকলৰ আগমন তুলনামূলকভাৱে পৰৱর্তী কালৰ। *ৰামায়ণ, মহাভাৰত* প্রভৃতি মহাকাব্যত কিৰাত বা মঙ্গোলীয় জনগোষ্ঠীৰ আবাসস্থলী হিচাপে এই দেশক চিনাক্ত কৰা হৈছে। ঘটকাসুৰ, সম্বৰাসুৰ, মহীৰঙ্গ দানৱ প্রভৃতি কিৰাতমূলীয় আছিল বুলি সমাজবিজ্ঞানীসকলে মত দাঙি ধৰিছে। ঐতিহাসিক যুগতো বর্মন বংশ, শালস্তম্ভ বংশ, পালবংশ, আহোম আৰু কোচ ৰাজবংশ, দেউৰী-চুতীয়া-জয়ন্তীয়া প্রভৃতি বিভিন্ন ৰাজবংশৰ ৰজাসকলৰ ৰাজত্বকালত অসমত যি ধৰণৰ জনগাঁথনি আছিল, তাৰ আধাৰত অনুমান কৰিব পাৰি যে অসম তথা উত্তৰ-পূব ভাৰত মূলতঃ অষ্ট্রিক, মঙ্গোলীয় আৰু দ্রাবিড় জনগোষ্ঠীৰ লোকসকলৰ প্রাচীন আৱাসস্থলী আছিল। মঙ্গোলীয় নৃগোষ্ঠীৰ অন্তর্গত বড়ো মূলীয় কোচ-মেচ-কছাৰী-জয়ন্তীয়া-চুতীয়া প্রভৃতি লোকসকলেই অসমৰ বিভিন্ন স্থানত ৰাজ্য পাতি ৰাজত্ব কৰা কথাটোৱে তেনে ধাৰণা জন্মায়।

কর্ষণ কার্যই কৃষ্টি; সংস্কৃতি তাৰ সোণালী ফচল। সংস্কৃতি স্বকীয় বর্ণ-বৈভৱেৰে সৌন্দর্যময় হৈ উঠাৰ মূলতে সমন্বয় আৰু সমাহৰণৰ গুৰুত্ব অস্বীকাৰ কৰিব নোৱাৰি। আমাৰ প্রায়বোৰ সংস্কৃতিৰ উপাদানেই ঐশ্বর্যময় হোৱাৰ মূলতেই হৈছে দীর্ঘদিনীয়া সম্প্রীতি, সমন্বয় আৰু বিনিময়ৰ ভূমিকা অস্বীকাৰ কৰিব নোৱাৰি। অসমৰ গীত-মাত, আচাৰ-নীতি, ধর্মীয় উৎসৱ আদিলৈ মন কৰিলেই কথাষাৰ অধিক স্পষ্ট ৰূপত ধৰা পৰে।

সংস্কৃতি বোঁৱতী সুঁতিৰ দৰে চিৰ প্রবাহমান। নদীৰ সুঁতিত বানপানী আহি তাৰ পাৰ ওপচায় পেলালেও ই খৰালি শুকাই যোৱাৰ দৰে সংস্কৃতিয়েও এটা সময়ত সম্পূর্ণ ঠন ধৰি কেতিয়াবা ই নিঃশ্চিহ্ন হৈ যাব পাৰে। সংস্কৃতিৰ ক্ষেত্রত আদান-প্রদান আৰু বিনিময়ে বিভিন্ন নীতিৰ আধাৰত সংস্কৃতিক সমৃদ্ধ কৰে।

যুগৰ পৰিৱর্তনৰ লগে লগে কিছুমান পুৰণি ৰীতি-নীতি পৰিৱর্তন ঘটাতো স্বাভাৱিক। পৰিৱর্তনশীল সমাজত মানুহৰ ধ্যান-ধাৰণাৰ পৰিৱর্তনৰ লগে লগে সাংস্কৃতিক পৰিৱর্তনৰো সূচনা হয়। সাংস্কৃতিক সমাহৰণে এনে পৰিৱর্তনত বিশেষ ভূমিকা গ্রহণ কৰা দেখা যায়।

বিভিন্ন সমাজৰ সংস্কৃতিৰ ৰূপ বিভিন্ন ধৰণৰ। অসমীয়া জাতি গঠন প্রক্রিয়াত আর্য্য-আর্য্য ভিন্ন বিভিন্ন জনগোষ্ঠীৰ সাংস্কৃতিক বিনিময় আৰু সংস্কৃতি গ্রহণৰ প্রক্রিয়াৰ যোগেদি সংস্কৃতিৰ

বিভিন্ন উপাদানত সমাহৰণ প্রক্রিয়া চলি আহিছে। ফলত ইয়াৰ কেতবোৰ উপাদন মূলতে কোনটো জনগোষ্ঠীৰ আছিল, তাক বিচাৰি উলিওৱাটো সহজ নহয়। প্রতিটো জনগোষ্ঠীয়েই নিজস্ব সংস্কৃতি কেৱল তেওঁলোকৰ সমাজখনৰে সৃষ্টি বুলি ডাঠি ক'ব নোৱাৰি, কিয়নো প্রব্রজনৰ ইতিহাসৰ সৈতে সংস্কৃতিৰ ইতিহাস যেনেদৰে জড়িত, তেনেদৰে আর্থ-সামাজিক আৰু ৰাজনৈতিক পৰিৱর্তনেও সংস্কৃতি গঢ়ি উঠাত অৰিহণা যোগোৱা দেখা যায়। ছশ বছৰ অসমত ৰাজত্ব কৰা আহোমসকল আদিতে চোম দেৱতাৰ উপাসক আছিল, কিন্তু পৰৱর্তী কালত হিন্দুধর্ম গ্রহণ কৰি অন্যান্য থলুৱা লোকৰ আচাৰ-নীতি গ্রহণ কৰা দেখা গ'ল। তেনেদৰে চুকাফাৰ 'সাতৰাজ মাৰি এক ৰাজ কৰা'ৰ যি নীতি, সেই নীতিৰ আধাৰত বিভিন্ন থলুৱা জনগোষ্ঠীৰ সৈতে বৈবাহিক সম্পর্ক স্থাপন কৰি, বিভিন্ন ফৈদৰ লোকক প্রশাসনীয় ব্যৱস্থাৰ সৈতে জড়িত কৰি এখনি বিশাল মানৱীয় সমাজ গঠনত দিয়া গুৰুত্বই অসমীয়া সমাজ গঠনৰ প্রক্রিয়াটো তৰান্বিত কৰিছে।

সভ্যতাৰ অগ্রগতিৰ লগে লগে বেপাৰ-বাণিজ্য, যুদ্ধ-বিগ্রহ, ধর্মপ্রচাৰ, প্রবজন প্রভৃতি প্রক্রিয়াৰ পৰিণতি স্বৰূপে সংস্কৃতিৰ সংমিশ্রণ ঘটিবলৈ ধৰিলে। অসমীয়া সংস্কৃতিত দৰাচলতে এনে সংমিশ্রণৰ পৰিণতি। এনেদৰেই ইতিহাসৰ বিভিন্ন ক্ষণত বিভিন্ন জনগোষ্ঠীয় প্রজাসকলৰ মাজত হোৱা যুদ্ধ-বিগ্রহ, সন্ধি আদিৰ উপৰিও মুছলমানৰ আক্রমণ, মানৰ আক্রমণ, স্বাধীনতাৰ পূর্বৰে পৰা চাহখেতিৰ স্বার্থত গিৰমিটীয়া পদ্ধতিৰে চাহবাগিচাৰ গছৰ বনুৱাসকলৰ আগমন, ভাৰত বিভাজনৰ পৰিণতি স্বৰূপে মৈমনসিং, চিলেট, শ্রীহট্ট, ৰংপুৰ আদিৰ পৰা প্রব্রজিত হোৱা ইচলাম আৰু হিন্দুধর্মী নাগৰিকসকলৰ লগতে ১৯৭১ চনৰ আগে-পিছে 'বাংলাদেশ'ৰ পৰা প্রব্রজিত লোকসকলৰ মাত্রাধিক্যই অসমৰ জনগাঁথনিত বিৰাট পৰিৱর্তনৰ সূচনা কৰিলে।

এনেদৰেই ইতিহাসৰ বিভিন্ন সময়ত অসমলৈ বিভিন্ন প্রদেশৰ লোকসকলৰ আগমন ঘটিছে আৰু তাৰ পৰিণতি স্বৰূপে অসমৰ থলুৱা জনগোষ্ঠীসমূহৰ সৈতে তেওঁলোকৰ বিভিন্ন ক্ষেত্রত বিনিময় আৰু আদান প্রদান ঘটিছে। এনে কাৰণতেই বিশিষ্ট শিক্ষাবিদ ক্রেইবাৰে মত প্রকাশ কৰিছে যে সংস্কৃতিৰ ঘটনা-প্রবাহৰ সৈতে ইতিহাসৰ সম্পর্ক আছে—

"In short a cultural fact is always a historical fact : and its most immediate understanding and usually the fullest understanding of it to which we can attain, is a historical one. So a large degree calling culture super organic or ... ...individual means that it yields more readily to historical interpretation than to organic psychosomatic explanations."

গতিকে, দেখা যায় যে সংস্কৃতি মানৱসৃষ্ট যদিও ই সমবেত সৃষ্টি। সামাজিক ব্যক্তি হিচাপে মানুহেই সংস্কৃতিৰ সৃষ্টি কৰে আৰু ইয়াক সজাই-পৰাই সৌন্দর্যশালী কৰি তোলে।

ভাৰতীয় সংস্কৃতিৰ এক দীঘলীয়া ইতিহাস আছে। বৈদিক যুগৰ বিশ্বাস, মূল্যবোধ আৰু আদর্শবাদ ক্রমান্বয়ে আধুনিক যুগলৈয়ো সম্প্রসাৰিত হৈছে। ভাৰতীয় সংস্কৃতি মূলতঃ একক সংস্কৃতি যদিও ই ঘাইকৈ আর্য্য, দ্রাবিড়, অষ্ট্রিক, মঙ্গোলীয় প্রভৃতি বিভিন্ন নৃগোষ্ঠীয় সংস্কৃতিৰ সমন্বয় আৰু সমাহৰণৰ পৰিণতিত সৃষ্টি হোৱা যৌগিক ৰূপ মাথোন।

এটা সময়ত মুছলমানসকল, পাচীসকল, খ্ৰীষ্টিয়ানসকল নিজ নিজ আদৰ্শ লৈ ভাৰতত প্ৰৱেশ কৰিছিল আৰু লগত লৈ অহা নিজ নিজ সংস্কৃতিয়ে ভাৰতীয় সংস্কৃতিত কম বেছি পৰিমাণে প্ৰভাৱ বিস্তাৰ কৰিছিল। বৰ্তমান সময়ৰ সংস্কৃতিত বিভিন্ন সমাজৰ পৰা সংস্কৃতিক উপাদান ধাৰ কৰি আধুনিক সংস্কৃতি গঢ়ি তোলাৰ এটা প্ৰক্ৰিয়া আৰম্ভ হৈছে। ভাৰতীয় সংস্কৃতিয়ে বৰ্তমান ভালেমান পশ্চিমীয়া সংস্কৃতিৰ পৰম্পৰাক আদৰি লোৱা দেখা গৈছে।

এটা সুসংগঠিত জাতি গঠনৰ কাৰণে ঐক্য আৰু সংহতিৰ প্ৰয়োজন। ঐক্য আৰু সংহতিৰ অবিহনে কোনোৱেই বৰ্তি থাকিব নোৱাৰে। এনে ঐক্য আৰু সংহতি সৃষ্টিৰ মূলতে সাংস্কৃতিক বিনিময়, আদান-প্ৰদান আৰু সংস্কৃতি-গ্ৰহণ প্ৰক্ৰিয়াই মুখ্য ভূমিকা গ্ৰহণ কৰে। অসমীয়া সংস্কৃতি দৰাচলতে দীৰ্ঘদিনীয়া সাংস্কৃতিক সমন্বয় আৰু সমাহৰণৰ পৰিণতিত সৃষ্টি হৈছে।

একোখন সমাজৰ উন্নত সংস্কৃতি আৰু নতুন ভাবধাৰাই আন এখন সমাজৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। এনে নতুন ভাৱধাৰাই সমাজ জীৱন জীৱন ধাৰাৰ সৈতে মিলি সংস্কৃতিক জীৱনৰ উপযোগী কৰি তোলে। বৈদিক আৰ্য্যসকলৰ জন-প্ৰবজনে এসময়ক অসমৰ থলুৱা জনগোষ্ঠীসমূহৰ সাংস্কৃতিক জীৱনৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিছিল। সেইদৰে মুছলমানসকলৰ অসম আক্ৰমণৰ ফলস্বৰূপে ইছলামীয় সংস্কৃতিৰ সমলে অসমীয়া সংস্কৃতিত প্ৰৱেশ লাভ কৰিলে। আনহাতে ইংৰাজসকলৰ আগমনৰ পিছৰে পৰাই অসমীয়া সংস্কৃতিত আধুনিকতাৰ প্ৰৱেশ ঘটিল।

৪.৫.১ অসমৰ জনগাঁথনি

অসমৰ জনগাঁথনি প্ৰক্ৰিয়াটো অত্যন্ত জটিল আৰু সুদীৰ্ঘ ঐতিহাসিক ক্ৰম-পৰিৱৰ্তনৰ পৰিণতি মাথোন। অসমৰ জনবসতিৰ ঘনত্ব প্ৰতি বৰ্গকিলোমিটাৰত ৩৮৬ জন। পাহাৰ অঞ্চলতকৈ ভৈয়াম অঞ্চলত জনবসতি বেছি। ২০১১ চনৰ লোকপিয়ল অনুসৰি অসমৰ মুঠ জনসংখ্যা— ৩,১২,০৫,৫৭৬ জন। ইয়াৰে পুৰুষ ১,৫৯,৩৯,৪৪৩ জন আৰু মহিলা ১,৫২,৬৬,১৩৩ জন। অসমৰ অধিক সংখ্যক লোকেই গ্ৰাম্যাঞ্চলত বসবাস কৰে। এনে জনসংখ্যাৰ হাৰ ৮৬ শতাংশ; আনহাতে ১৪ শতাংশ লোক চহৰত বাস কৰে। অসমত মুঠ চহৰৰ সংখ্যা ২১৪ খন আৰু গাঁৱৰ সংখ্যা মুঠ ২৬,৩৯৫ খন। গাঁওসমূহ পৰিচালনাৰ বাবে মুঠ ২,২০২ খন গাঁও পঞ্চায়ত আছে।

জাতি-জনগোষ্ঠীৰ ফালৰ পৰা অসমত জনজাতীয় মূলৰ লোক প্ৰায় এক-তৃতীয়াংশ। বাকীখিনি সাধাৰণ জাতিৰ লোক। অসমত উচ্চ হিন্দু লোকৰ তুলনাত পিছপৰা আৰু অন্যান্য পিছপৰা লোকৰ সংখ্যা অধিক।

নৃগোষ্ঠীয় দৃষ্টিকোণৰ পৰা বিচাৰ কৰিলে দেখা যায় যে মঙ্গোলীয়, অষ্ট্ৰিক, দ্ৰাবিড় আৰু নৰ্ডিক প্ৰভৃতি নৃগোষ্ঠীয় লোকৰ অৱস্থিতি অসমত অধিক। অসমৰ প্ৰাচীন জনগোষ্ঠীসমূহৰ ভিতৰত অষ্ট্ৰিক, দ্ৰাবিড় আৰু মঙ্গোলীয় জনগোষ্ঠীৰ সংখ্যাই অধিক। আৰ্য্যসকলৰ আগমনৰ পিছত অসমৰ জনগাঁথনিত কিছু পৰিৱৰ্তন সূচিত হয়।

অসমীয়া জাতিগঠনৰ প্ৰক্ৰিয়া ঐতিহাসিক বিৱৰ্তনৰ পৰিণতি মাথোন। পুৰণি প্ৰাগজ্যোতিষপুৰ কামৰূপত ৰাজত্ব কৰা বড়ো-কছাৰী জনগোষ্ঠীৰ বিভিন্ন ৰজাসকলৰ ৰাজত্বকালত অসমৰ জাতি গঠনৰ প্ৰক্ৰিয়াতো ত্বৰান্বিত হয়। বৰ্মন-শালস্তম্ভ-পাল-প্ৰভৃতি ৰাজবংশৰ ৰজাসকলৰ সমান্তৰালভাৱে অসমৰ বিভিন্ন ঠাইত গঢ় লৈ উঠা কছাৰী, জয়ন্তীয়া, দেউৰী-চুতীয়া, মটক প্ৰভৃতি বিভিন্ন সামন্ত ৰজাসকলৰ ৰাজত্বকালত পাৰস্পৰিক আদান-প্ৰদান আৰু বিনিময়ৰ মাজেদি অসমীয়া সংস্কৃতিয়ে বিকশিত ৰূপ লাভ কৰে। আহোম ৰজা চুকাফাই বিভিন্ন সামন্ত ৰজাসমূহক নিজৰ অধীনলৈ আনি 'সাতৰাজ মাৰি একৰাজ' কৰে আৰু পৰৱৰ্তী কালত মহাপুৰুষ শঙ্কৰদেৱৰ একশৰণ নামধৰ্মৰ প্ৰভাৱে অসমৰ জাতি-গঠনৰ প্ৰক্ৰিয়াত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। শঙ্কৰদেৱে গাৰো, খাচি, মিৰি, নগা প্ৰভৃতি বিভিন্ন জনজাতীয় লোকসকলক নৱবৈষ্ণৱ ভক্তিধৰ্মৰ আশ্ৰয় গ্ৰহণৰ সুবিধা দি ভক্তিধৰ্মৰ সম্প্ৰসাৰণত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। মধ্যযুগত অসমত জাত-পাত প্ৰক্ৰিয়াই সমাজত বিশৃঙ্খলাৰ সৃষ্টি কৰিছিল। অনুসূচিত আৰু পিছপৰা জাতিসমূহৰ লোকসকলে সমাজত মৰ্যাদা সহকাৰে জীয়াই থকাটো অতি কঠিন কৰ্ম হিচাপে বিবেচিত হৈছিল। তেনে পৰিস্থিতিত জাতি-ভেদ বৰ্ণ-বৈষম্য দূৰ কৰি এখনি সুস্থিৰ সমাজ গঠনত শংঙ্কৰদেৱে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। শঙ্কৰদেৱে সমাজৰ বিভিন্ন স্তৰৰ লোকসকলক নৱ-বৈষ্ণৱ ভক্তিধৰ্মৰ আশ্ৰয় প্ৰদান কৰি ভক্তিৰ যোগেদি মুক্তিৰ পথ প্ৰশস্ত কৰি তোলাত সকলোৱে জীৱনৰ মানদণ্ড উন্নীত হোৱাৰ সুযোগ লাভ কৰি সমাজৰ বিভিন্ন স্তৰৰ লোকসকলে সদলবলে আহি নৱবৈষ্ণৱ ভক্তিধৰ্মৰ আশ্ৰয় গ্ৰহণ কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ অসমৰ জনগাঁথনিত কি কি গোষ্ঠী, জনগোষ্ঠীয় লোকৰ অস্তিত্ব আছে? (১০০টা শব্দৰ ভিতৰত লিখক)

৪.৫.২ ভাষা আৰু সাহিত্য

ভাষা আৰু সাহিত্যৰ ক্ষেত্ৰতো সমন্বয় আৰু সমাহৰণৰ প্ৰক্ৰিয়া অব্যাহত আছে। অসমীয়া ভাষা আৰ্য্য মূলীয় আৰু সংস্কৃত মূলীয় যদিও ইয়াত আৰ্য্য ভিন্ন বিভিন্ন ভাষাৰ প্ৰভাৱ অস্বীকাৰ কৰিব নোৱাৰি। ধ্বনি, শব্দৰূপ, শব্দভাণ্ডাৰ, প্ৰবাদ-প্ৰবচন, জতুৱা ঠাঁচ আদিত ভালেমান থলুৱা প্ৰভাৱ বিদ্যমান। সাহিত্যৰ ক্ষেত্ৰতো থলুৱা প্ৰভাৱ যথেষ্ট। লোকসাহিত্যসমূহ সম্পূৰ্ণ থলুৱা বিশ্বাসৰ ভেঁটিত গঢ় লৈ উঠিছে।

চৰ্যাগীত-পদ, *শ্ৰীকৃষ্ণ কীৰ্ত্তন*, *শূন্য পুৰাণ* প্ৰভৃতিত পৰম্পৰাগত ৰীতি-নীতি, থলুৱা ঐতিহ্য আদিৰ প্ৰভাৱ লক্ষ্য কৰা যায়। পুৰাণৰ আৰ্হিত ৰচিত হ'লেও শূন্য পুৰাণত লোকধৰ্ম ধৰ্ম শৈৱ, বৌদ্ধ, তন্ত্ৰ প্ৰভৃতিৰ প্ৰভাৱ অস্বীকাৰ কৰিব নোৱাৰি। *শ্ৰীকৃষ্ণ কীৰ্ত্তন*তো

ব্রহ্মবৈৱর্ত পুৰাণ অথবা *ভাগৱত পুৰাণৰ* পৰিৱর্তে লোক-পৰম্পৰা আৰু ঐতিহ্যৰ প্রভাৱ অধিক। চর্যাগীত কেৱল গীতি সাহিত্যই নহয়, ইয়াৰ মাজেদি শৈৱ, বৌদ্ধ, তন্ত্র প্রভৃতি বিভিন্ন সাধনমার্গৰ ক্রমবিকশিত ইতিহাস সংৰক্ষিত হৈ আহিছে। চর্যাগীত কেৱল 'বৌদ্ধগান ও দোহা' নহয়। ইয়াত মহাযান, হীনযান প্রভৃতি সাধনমার্গৰ বাহিৰেও নাথ-যোগীসকলৰ মাজত প্রচলিত হঠযোগ সাধনাৰ বিস্তৃত বর্ণনা দাঙি ধৰা হৈছে। প্রতীক আৰু উপমাৰ মাধ্যমেদি প্রকাশিত চর্যাগীতৰ অভ্যন্তৰত সন্নিৱিষ্ট তত্ত্বসমূহ যোগৰ পৰিভাষিক শব্দপ্রয়োগৰ বাবে দুর্বোধ্য যেন লাগিলেও সেইসমূহ ব্যাখ্যাতীত নহয়।

প্রাক্-শঙ্কৰী যুগৰ সাহিত্যৰাজি মূলতঃ মহাকাব্যিক আৰু পৌৰাণিক ঐতিহ্য-আশ্রিত। এই সময়ৰ কবিসকলে ভাৰতীয় সাহিত্যৰ পৰা সেই ৰচনাসমূহ অসমীয়ালৈ ভাঙনি কৰিলেও এটা কথা ঠিক যে সেই সময়ত অসমত ৰাজত্ব কৰা জনজাতীয় মূলৰ ৰজা তাম্রধ্বজ, দুলর্ভ নাৰায়ণ, ইন্দ্রনাৰায়ণ, মহামাণিক্য প্রভৃতিয়ে জনজাতীয় ভাষা-সাহিত্যৰ উৎকর্ষ সাধনৰ পৰিৱর্তে সর্বসাধাৰণৰ কথিত ভাষাতহে সাহিত্য ৰচনাৰ কাৰণে পৃষ্ঠপোষকৰ ভূমিকা গ্রহণ কৰিছিল। এইসকল উদাৰ আৰু মহানুভৰী ৰজাৰ ৰাজত্ব কালতেই অসমীয়া ভাষাই এক নির্দিষ্ট মর্যাদাৰে আত্মপ্রকাশৰ সুযোগ লাভ কৰিছিল।

শঙ্কৰী আৰু উত্তৰ শঙ্কৰী যুগৰ সাহিত্য বিকশিত হৈছিল মূলতঃ আহোম, কোচ আৰু অন্যান্য সামন্ত ৰজাসকলৰ ৰাজত্ব কালত। এই সময়ছোৱাতেই বিভিন্ন বৈষ্ণৱ, শৈৱ আৰু শাক্ত সাহিত্যৰ অনুবাদ হয়। অসমীয়া সাহিত্যই কাব্য, নাটক-গীত প্রভৃতি বিভিন্ন শাখাত বিকশিত ৰূপ লাভ কৰে। শঙ্কৰোত্তৰ যুগত চৰিত সাহিত্য, বুৰঞ্জী সাহিত্য, গদ্য সাহিত্য, অনুবাদ সাহিত্য, ব্যৱহাৰিক সাহিত্য প্রভৃতিয়েও বিভিন্ন দিশত বিকশিত ৰূপ লাভ কৰে। ব্যৱহাৰিক সাহিত্যৰ ভিতৰত ব্যাকৰণ, জ্যোতিষ, ছন্দ, স্মৃতি শাস্ত্র, আয়ুর্বেদ, অঙ্কশাস্ত্র আদিৰো চর্চা হৈছিল। ব্যাকৰণ, স্মৃতিশাস্ত্র প্রভৃতি সংস্কৃত ভাষাতো ৰচিত হৈছিল। এইসমূহৰ যোগেদি ভাৰতীয় ঐতিহ্য আৰু পৰম্পৰাৰ সৈতে অসমীয়া ভাষা-সাহিত্যৰ সম্পর্ক স্থাপিত হৈছিল। অসমীয়া সাহিত্যত চুফীবাদৰ প্রভাৱ পৰে মঞ্জন, জায়সী, কুতুবন প্রভৃতি কবিৰ যোগেদি। মধুমালতী, চাহপৰীৰ উপাখ্যান আদিয়েও মধ্যযুগৰ অসমীয়া সাহিত্যৰ সমৃদ্ধিত বিশেষ অৰিহণা যোগায়। আজানপীৰ আৰু অন্যান্য ভালেমান গীতিকাৰে 'জিকিৰ' শীর্ষক ভালেমান আধ্যাত্মিক গীত ৰচনা কৰি অসমীয়া গীতি সাহিত্যৰ সমৃদ্ধিত অৰিহণা যোগায়। দেহবিচাৰৰ গীত, টোকাৰী গীত, বৰাগী গীত, গোঁসাই নাম প্রভৃতি ৰহস্যবাদী গীতৰ সৈতে জিকিৰ গীতৰ অদ্ভুত সাদৃশ্য বিদ্যমান। এনেদৰে চালে দেখা যায় যে প্রাচীন অসমীয়া সাহিত্য সমন্বয় আৰু সমাহৰণৰ আর্হিৰে আগু�ৰাই যোৱাৰ পৰিণতি স্বৰূপে বৃহত্তৰ অসমীয়া জাতিগঠন প্রক্রিয়া ত্বৰান্বিত হৈছে।

অৰুণোদয় যুগৰ সাহিত্য সৃষ্টিৰ মূল প্রেৰণা আছিল খ্রীষ্টিয়ান মিছনেৰীসকল। ধর্মপ্রচাৰৰ উদ্দেশ্য ভাৰতলৈ অহা বেপ্টিষ্ট মিছনৰ সদসসকলে অসমৰ থলুৱা ভাষা

আয়ত্ব কৰি অসমীয়া ভাষাত প্ৰথম সংবাদ-পত্ৰ *অৰুণোদই* প্ৰকাশ কৰাৰ লগে লগে অসমীয়া ব্যাকৰণ, অভিধান, শব্দকোষ প্ৰণয়ন, বিভিন্ন কাহিনীৰ অনুবাদ, প্ৰভৃতিৰ যোগেদি আধুনিক অসমীয়া সাহিত্যৰো পথ সুগম কৰি তুলিলে। কামিনীকান্ত, ৰুথ আৰু যোচেফৰ কাহিনী, বাহিৰে *ৰং চং ভিতৰে কোৱা-ভাতুৰী* প্ৰভৃতি গ্ৰন্থ সৃষ্টিৰ প্ৰেৰণাও দিছিল অৰুণোদয়েই। অৰুণোদয়ে নিধিৰাম ফাৰৰেল, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা, যজ্ঞৰাম খাৰঘৰীয়া ফুকন প্ৰভৃতিৰ দৰে লেখকৰ সৃষ্টিটো অৰিহণা যোগাইছিল।

জোনাকী যুগ, আৱাহন যুগ, ৰামধেনু যুগ আদিৰ মাধ্যমেদি পাশ্চাত্য সাহিত্যৰ সৈতে অসমীয়া সাহিত্যৰ অন্তৰঙ্গতা বৃদ্ধি পায়। কবিতা, চুটিগল্প, নাটক, উপন্যাস, জীৱনী, ভ্ৰমণ সাহিত্য, সমালোচনা অনুবাদ প্ৰভৃতি বিবিধ সাহিত্যই এই যুগত বিকাশ লাভ কৰে।

৪.৫.৩ ধৰ্ম

অসমৰ ধৰ্মৰ ইতিহাস অতি প্ৰাচীন। শৈৱ, শাক্ত আৰু বৈষ্ণৱ ধৰ্মৰ উপৰিও সৌৰ আৰু গাণপত্য ধৰ্ময়ো এসময়ত অসমত প্ৰভাৱ বিস্তাৰ কৰিছিল। অসমৰ বিভিন্ন স্থানত প্ৰাপ্ত বিশাল আকাৰৰ গণেশৰ মূৰ্তিসমূহে এসময়ত গণদেৱতা ৰূপত গণেশ দেৱতাৰ ব্যাপক উপাসনাৰ আভাস দাঙি ধৰাৰ দৰেই গোৱালপাৰাৰ সূৰ্যমন্দিৰ, তেজপুৰত খনন কাৰ্যৰ ফলত আৱিষ্কৃত সূৰ্য মন্দিৰৰ ভগ্নাৱশেষে অতি প্ৰাচীন কালত অসমত সৌৰ সম্প্ৰদায়ৰ বিশেষ প্ৰাধান্যৰ কথাই সূচনা কৰে।

অসমীয়া সমাজত ধৰ্মৰ প্ৰভাৱ অতি ব্যাপক আৰু বিস্তৃত। ধৰ্মই সমাজত সাম্প্ৰদায়িক ঐক্য আৰু সংহতিৰ ভাব বৃদ্ধি কৰি সামাজিক নিয়ন্ত্ৰণ অটুত ৰখাত সহায় কৰে। ধৰ্মৰ যোগেদি সামাজিক মঙ্গল সাধন আৰু সামাজিক সংহতি স্থাপনৰ লগে লগে জীৱনৰ মহত্ব উপলব্ধি সম্ভৱ হৈ উঠে। সভ্যতা সংস্কৃতিৰ বিকাশ আৰু মানুহৰ পৰম্পৰাগত মূল্যবোধ আৰু ৰুচিবোধৰ পৰিৱৰ্তনতো ধৰ্মই বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা দেখা যায়।

ধৰ্মৰ সৈতে জড়িত হৈ থকা নৈতিক মূল্যবোধে সামাজিক সংহতি আৰু নৈতিক মানদণ্ড উন্নীত কৰাত সহায় কৰে। ধৰ্মৰ সৈতে মানুহৰ নৈতিক আৰু আধ্যাত্মিক মূল্যবোধৰ দিশটো জড়িত হৈ থাকে। সেইবাবেই ধৰ্ম আৰু নৈতিক মূল্যবোধে মানুহৰ মানসিক আৰু আধ্যাত্মিক চিন্তাৰ সম্প্ৰসাৰণ ঘটাই তেওঁলোকক মুক্তিপথৰ সন্ধান প্ৰদান কৰিবলৈ সক্ষম হয়।

ভাৰতীয় ধৰ্মত আধ্যাত্মিকতাৰ স্থান অতি উচ্চ। অৱশ্যে বৰ্তমানৰ বস্তুবাদী ভাবধাৰাই মানুহৰ আধ্যাত্মিক চিন্তাত যথেষ্ট খেলিমেলিৰ সৃষ্টি কৰিছে। ধৰ্মৰ সৈতে সংস্কৃতিৰ গভীৰ সম্পৰ্ক আছে আৰু ধৰ্মীয় পৰিৱৰ্তনে কেতিয়াবা সাংস্কৃতিক পৰিৱৰ্তনতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা দেখা যায়।

অসমৰ ধর্মীয় ইতিহাসত কৈৰাতজ ধর্মই বিশেষ ভূমিকা গ্রহণ কৰিছে। *যোগিনীতন্ত্রত* কৈৰাতজ ধর্মকে কামৰূপৰ প্রাচীন ধর্মমত বুলি উল্লেখ কৰা হয়। এই ধর্ম কিৰাত জাতিৰ ধ্যান-ধাৰণা সম্ভুত। এই ধর্ম বৈদিক ধর্মতকৈ সম্পূর্ণ পৃথক আছিল আৰু নির্দ্ধাৰিত শাস্ত্রীয় অনুশাসনৰ পৰিৱর্তে থলুৱা আচাৰ নীতি মানি চলা হৈছিল। আনকি মদ্যপানো ধর্মৰ লেখতেই ধৰা হৈছিল। পৰৱর্তী কালৰ শৈৱ, বৈষ্ণৱ, শাক্ত প্রভৃতি আদর্শৰ প্রভাৱে অসমীয়া জনজীৱনত প্রভাৱ বিস্তাৰ কৰিলেও প্রাচীন ঐতিহ্যপ্রসূত লোকাচাৰসমূহে সাম্প্রতিক কালতো জনজীৱনত গভীৰ প্রভাৱ বিস্তাৰ কৰি আছে।

অসমত বসবাস কৰা প্রায়বোৰ জনজাতিৰ মাজতেই থলুৱা ৰূপত শিৱৰ উপাসনা কৰা হৈছিল। শিৱ প্রাক্-বৈদিক দেৱতা আৰু সম্ভৱতঃ কিৰাতসকলে দ্রাবিড়সকলৰ পৰাই শিৱপূজাৰ আদর্শ গ্রহণ কৰে। প্রাগজ্যোতিষৰ ৰজা ভগদত্ত আৰু শোণিতপুৰৰ নৃপতি বাণ ৰজা শিৱ-উপাসক আছিল বুলি জনা যায়। *কালিকাপুৰাণৰ* মতে শিৱ কিৰাত-সকলৰো উপাস্য দেৱতা আছিল। প্রাক্-শঙ্কৰী যুগত অসমত শৈৱ আদর্শ প্রভাৱশালী আছিল যেন অনুমান কৰিব পাৰি। বর্মন, শালস্তম্ভ আৰু পাল ৰাজবংশৰ ৰাজত্বকালত পুৰণি কাব্যৰূপত শৈৱধর্মৰ বিশেষ প্রাধান্য আছিল বুলি অনুমান কৰিব পাৰি। কিয়নো এইসকল ৰজাৰ ৰাজত্বকালত প্রদত্ত প্রায়বোৰ শিলালিপি-তাম্রলিপিত তদানীন্তনীয় ৰজাসকলে নিজৰ আৰাধ্য দেৱতা ৰূপত শিৱ আৰু পার্বতীৰ নাম উল্লেখ কৰা কথাটোৱে শৈৱ আৰু শাক্ত উভয় ধর্মৰ প্রাধান্যৰ আভাস দাঙি ধৰে।

শিৱক সাধাৰণতে লিঙ্গৰূপত উপাসনা কৰা হৈছিল। তদুপৰি শিৱক মহাদেৱ, মহেশ, মহেশ্বৰ, ঈশান, লকুলীশ, নটৰাজ, ভৈৰৱ, উমা-মহেশ্বৰ, হৰি-হৰ প্রভৃতি বিভিন্ন ৰূপত পূজা কৰা হৈছিল। অসমত অতি প্রাচীন কালৰে পৰাই নটৰাজ, ভৈৰৱ, মহেশ্বৰ, লকুলীশ. হৰিহৰ, বলীয়াবাবা, বুঢ়াগোসাঁই, শিৱবাবা ইত্যাদি বিভিন্ন ৰূপত থলুৱা আচাৰেৰে শিৱক উপাসনা কৰা হৈছিল। আনহাতে, বিভিন্ন জনজাতীয় লোকসকলে শিৱক বাথৌ, বাথৌব্রাই, বুঢ়াবুঢ়ী, কুণ্ডিমামা, বলিয়াবাবা ইত্যাদি নামত নিজস্ব আচাৰ নীতি অনুসৰি শিৱদেৱতাক পূজা-উপাসনা কৰিছিল।

নৰকাসুৰে প্রাগজ্যোতিষৰ ৰাজ-পাট আৰোহণ কৰা বহু আগৰে পৰাই পুৰণি কামৰূপ শিৱৰ লীলাভূমি আছিল বুলি *কালিকাপুৰাণত* বর্ণিত হৈছে। পুৰণি কামৰূপত দেৱীক্ষেত্রৰ তুলনাত শিৱস্থানৰ সংখ্যা অধিক। নৰকৰ দিনত কামৰূপত দেৱীক্ষেত্রৰ তুলনাত শিৱস্থানৰ সংখ্যা অধিক আছিল আৰু দেৱীপূজাৰ সমান্তৰালভাৱে শিৱ পূজাও গোপনে চলি আছিল। মাতৃ সংস্কৃতিৰ ঐতিহ্যধাৰী ধাৰাটো প্রধানতঃ মাতৃ উপাসক অষ্ট্রিকসকলৰ যোগেদি অহা বুলি আমাৰ ধাৰণা ওপজে। পণ্ডিতসকলে অনুমান কৰে যে অষ্ট্রিক সংস্কৃতিসম্পন্ন খাচীসকলৰ কা-মেই-থা বুঢ়ীগোসাঁনী গাভৰু হৈ আর্যীকৰণ হয় আৰু সংস্কৃত পণ্ডিতৰ হাতত পৰি নতুন কামাখ্যা দেৱীৰূপে গঢ় লয়। অসমৰ জনজাতীয় সমাজত বিশেষকৈ, কছাৰী, জয়ন্তীয়া, আহোম, চুতীয়া আদি জনগোষ্ঠীৰ

মাজত লোকাচাৰ মতে নানা ৰূপত শক্তি পূজা কৰা হৈছিল। মহাপুৰুষ শঙ্কৰদেৱৰ উপৰিপুৰুষ ভূঞাসকল এসময়ত শাক্ত আছিল।

পুৰণি অসমৰ শক্তিপীঠসমূহত বলি-বিধানেৰে পূজা কৰা হৈছিল। দেওশাল-সমূহত হাঁহ-পাৰ, ছাগলী, ম'হ আদি বলি দিয়া হৈছিল। লোকাচাৰ অনুসৰি সুবচনী পূজাতো নানাধৰণৰ বলি দিয়া হৈছিল। শদিয়াৰ তাম্রেশ্বৰী মন্দিৰ, মালিনী থান, ফুলবাৰী নীলাচল আৰু শিলঘাটৰ কামাখ্যা আদিত শক্তি উপাসনাৰ দীঘলীয়া পৰম্পৰা আছে। দুর্গা পূজাৰ সময়ত শাল আৰু থানবোৰত হাঁহ, পাৰ, ছাগলী, ম'হ আদি বলি দি পূজা কৰা হৈছিল।

পর্বতীয়া গোসাঁইৰ আগমনৰ লগে লগে অসমৰ শাক্ত উপাসনা পদ্ধতিলৈ পৰিৱর্তনৰ জোৱাৰ আনে। পুৰণি অসমৰ দেৱীস্থান আৰু দেওথানসমূহত পূর্বতে অনার্য্য পদ্ধতিৰে পূজা চলিছিল। বিশেষকৈ, ফুলবাৰী, দেওপানী, নীলাচলৰ কামাখ্যা প্রভৃতিত জনজাতীয় পদ্ধতিৰে পূজা কৰা হৈছিল। পর্বতীয়া গোঁসায়ে নিজে পূজা বিধি ৰচনা কৰি অসমৰ থান-দেৱালয় আদিত নতুন পদ্ধতিৰে পূজা কৰিবলৈ নির্দেশ দিয়াত অসমত নতুন পূজা-পদ্ধতিৰ সূচনা হয়। লাহে লাহে অসমত পর্বতীয়া গোঁসাইৰ প্রভুত্ব বৃদ্ধি পায়। শিৱসিংহৰ দিনত পর্বতীয়া গোসাঁই শক্তিশালী হৈ উঠে আৰু ভালেমান প্রভাৱশালী লোকে তেওঁৰ শিষ্যত্ব গ্রহণ কৰি অসমৰ ধর্মীয় আৰু সামাজিক জীৱনত বিশেষ প্রভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল।

আহোম ৰাজত্বকালৰ শেষৰফালে শক্তি উপাসনাই বিশেষ প্রাধান্য লাভ কৰা দেখা যায়। দিহিঙ্গীয়া ৰজাৰ দিনৰ পৰা আহোমসকলে লোক-পৰম্পৰা অনুসৰি কেঁচাইখাতী গোসাঁনীক পূজা দিবলৈ ধৰে। আহোম ৰজাসকলৰ ভিতৰত পোনপ্রথমে প্রতাপসিংহই মাটিৰ প্রতিমা সজাই দুর্গা পূজা কৰে। পৰৱর্তী কালৰে পৰা আহোম ৰাজগৃহত নিয়মীয়াকৈ শাৰদীয় দুর্গা পূজা অনুষ্ঠিত হয়।

মাতৃ পূজা বা শক্তি পূজা উর্ৰৰা বিশ্বাসৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে। আহোমসকলৰ মাজত দুর্গা পূজাৰ বাহিৰেও লোকাচাৰ অনুসৰি সুবচনী নামৰ বিশেষ শক্তিপূজাৰ প্রচলন আছিল। দুর্গাদেৱীৰ বিভিন্ন নাম ৰূপ আৰু পূজা পদ্ধতিলৈ চাই আর্য্য-অনার্য্য, হিন্দু, বৌদ্ধ, তান্ত্রিক, দ্রাবিড়ীয়য়, মঙ্গোলীয় আনকি সুমেৰীয়, বেবিলনীয় আৰু হেলেনিক বিশ্বাস আৰু ধ্যান-ধাৰণাৰ উপকৰণ দেখা পাইছে। পুৰণি কামৰূপত শক্তি নানা নামত আৰু নানা ৰূপত পূজিত। তেওঁ কালী, কপালী, মহাকালী, চণ্ডী, চামুণ্ডা, কৰালা, কাত্যায়নী, তাৰা, উগ্রতাৰা, উমা, পার্বতী, দুর্গা, শ্যামা, ভদ্রা, ভদ্রকালী, বিজয়া, কৌশিকী, কালিকা, হৈমৱন্তী দেৱী, মহাদেৱী, ভৈৰৱী, ত্রিনয়নী, অম্বিকা, ভৱানী, ভগৱতী, মহেশ্বৰী ইত্যাদি বিভিন্ন নাম আৰু ৰূপত বিভিন্ন থলুৱা ৰীতি আৰু লোকাচাৰেৰে পূজিতা হৈ আহিছে।

বিষ্ণু বৈদিক দেৱতা আৰু বেদত তেওঁক সূর্যৰে এক অভিব্যক্তি ৰূপত দেখুওৱা হৈছে। এৰেই পৰৱর্তী কালত বাসুদেৱ, নাৰায়ণ, গোপাল, গোপাল-কৃষ্ণ প্রভৃতি ৰূপত উপাসকসকলৰ মাজত প্রসিদ্ধি লাভ কৰে। প্রাক্-শঙ্কৰী যুগৰ ভালেমান স্থাপত্য-ভাস্কর্য ভগ্নাৱশেষত বৈষ্ণৱ ধর্মৰ অৱস্থিতিৰ উমান পোৱা যায়। প্রাক্-শঙ্কৰী যুগৰ কবি হেম সৰস্বতী, মাধৱ কন্দলি আৰু হেম সৰস্বতীৰ ৰচনাতে বৈষ্ণৱ আদর্শৰ পৰিচয় পোৱা যায়।

অসমৰ বৈষ্ণৱ ধর্মৰ ধর্মীয় ঐতিহ্যৰ মহাপুৰুষ শ্রীমন্ত শঙ্কৰদেৱৰ গুৰুত্ব অস্বীকাৰ কৰিব নোৱাৰি। তেওঁ জাতি-ভেদ বর্ণ-বৈষম্য দূৰ কৰি এখনি সমতাপূর্ণ সমাজ-গঠনৰ পোষকতা কৰিছিল। তেওঁ জাতি-ভেদ অস্বীকাৰ কৰি একশৰণ ভক্তিধর্ম প্রচাৰৰ যোগেদি সকলোৰে মাজত ভাতৃত্ববোধৰ সূচনা কৰিব বিচাৰিছিল। ভোট, যৱন, গাৰো সকলোকে ভক্তিধর্মত সমানে স্থান দিছিল। কিন্তু শঙ্কৰদেৱৰ পৰৱর্তী কালত ব্রাহ্মণ্য ধর্মৰ আড়ম্বৰ বৃদ্ধি পোৱাত মুক্তিতো নিস্পৃহ ভকতৰ গুৰুত্ব কমি আহিল আৰু বাহ্যিক আচাৰে প্রাধান্য লাভ কৰিলে। শঙ্কৰদেৱে নাট, ভাওনা, গীত ইত্যাদিৰ মাধ্যমত জাতি-বর্ণ-ধর্ম-সম্প্রদায় নির্বিশেষে সকলোকে বৈষ্ণৱ ধর্মৰ দোলেৰে বান্ধি ভক্তিৰ যোগেদি মুক্তিৰ পথ প্রশস্ত কৰিবলৈ প্রয়াস কৰিছিল। এনেদৰেই মহাপুৰুষ শঙ্কৰদেৱে অসমীয়া জাতীয় জীৱনত বিশেষ জাগৰণৰ সূচনা কৰি সমন্বয় আৰু সমাহৰণৰ পথ ত্বৰান্বিত কৰিছিল। গতিকে দেখা যায় যে শৈৱ, শাক্ত, বৈষ্ণৱ প্রভৃতি বিবিধ ধর্মৰ আচৰণ আৰু উপাসনা পদ্ধতিৰ সৈতে বৈদিক আৰু লৌকিক উভয় ধাৰাৰ উপাসনা পদ্ধতিৰ সমাহাৰ সাধিত হৈছে। বৈদিক বা শাস্ত্রীয় পদ্ধতিৰ সমান্তৰালভাৱে ভালেমান লোকাচাৰ, লোকৰীতি আৰু বাচিক কলা তথা পৰিৱেশ্য লোককলাই এই পদ্ধতিসমূহক জনগণৰ অধিক কাষ চপাই নিবলৈ সক্ষম হৈছে।

অসমৰ আদিম অধিবাসীসকলৰ ধর্মীয় বিশ্বাসত শিৱৰ প্রভাৱ অসীম। বিভিন্ন থলুৱা বিশ্বাস অনুসৰি তেওঁলোকে বিভিন্ন নাম আৰু ৰূপত নিজা পদ্ধতিৰে শিৱৰ পূজা-উপাসনা কৰা দেখা যায়। শিৱৰ দৰেই পার্বতীকো মাতৃজ্ঞান কৰি তেওঁলোকে পূজা কৰিছিল। ইয়াৰ বাহিৰেও অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত বৃক্ষপূজা, সর্পপূজা, জলপূজা, ডাঙৰীয়া পূজা, অপেশ্বৰী পূজা প্রভৃতি বিভিন্ন পূজা-উপাসনাই যুগ যুগ ধৰি জনসাধাৰণৰ মাজত প্রভাৱ বিস্তাৰ কৰি আহিছে। গতিকে দেখা যায় যে অসমৰ ধর্মীয় বিশ্বাস আৰু উপাসনা পদ্ধতিত আর্য্য আৰু আর্য্য ভিন্ন পদ্ধতিৰ সমন্বয় সাধিত হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ অসমৰ প্রাচীন ধর্মৰ ৰূপ কেনে আছিল? (১৫০টা শব্দৰ ভিতৰত লিখক)

৪.৫.৪ উৎসৱ-পার্বণ

উৎসৱ-পার্বণ হৈছে সংস্কৃতিৰ এৰাব নোৱাৰা সামাজিক অনুষ্ঠান। এই অনুষ্ঠান মূলতঃ সামাজিক লোকাচাৰৰ অন্তর্গত। অসমৰ প্রধান জাতীয় উৎসৱ বিহু মূলতঃ আর্য্য ভিন্ন জনগোষ্ঠীৰ প্রভাৱত গঢ় লৈ উঠিছে। বিহু মূলতঃ কৃষি উৎসৱ আৰু সেয়ে এই উৎসৱৰ সৈতে ভালেমান লোকবিশ্বাস আৰু সামাজিক লোকাচাৰ জড়িত হৈ আছে। বিহু শব্দটো সংস্কৃত বিষুৱণৰ পৰা অহা বুলি অনুমান কৰা হৈছে। ভাৰতবর্ষৰ বিভিন্ন জনগোষ্ঠীৰ মাজত নতুন বছৰটোক আদৰিবৰ কাৰণে বিহুৰ অনুৰূপ কেতবোৰ লোক উৎসৱ উদ্‌যাপিত কৰা দেখা যায়। বড়োসকলে বহাগ বিহুক 'বইছাগু' আৰু মাঘবিহুক 'দোমাচী' বোলে। চাহ-জনজাতিৰ মাজত উদ্‌যাপিত কৰম পূজাৰ সৈতে অসমীয়া জাতিৰ বিহুৰ সাদৃশ্য আছে। বিহুগীতৰ সৈতে চাহ-জনজাতিৰ ঝুমুৰ গীতৰ সাদৃশ্য মন কৰিবলগীয়া।

ব'হাগ বিহুৰ প্রথম দিনটো গৰুবিহু হিচাপে পালন কৰা হয়। বড়ো, দেউৰী, চুটীয়া আদি জনগোষ্ঠীৰ লোকসকলেও গৰুবিহু পালন কৰে। চাহ-জনগোষ্ঠীৰ গৰমা পূজাৰ সৈতে অসমীয়া গৰু বিহুৰ সাদৃশ্য আছে। মিছিংসকলৰ আলি-আই-লৃগাং উৎসৱ মূলতঃ কৃষিদেৱতাৰ সন্তুষ্টিৰ বাবে শস্য বৃদ্ধিৰ কামনাৰে উদ্‌যাপিত হয়।

কৃষি-উৎসৱ মূলতঃ প্রজননৰ উৎসৱ। সেইবাবেই বিহু উৎসৱত ডেকা-গাভৰুৰ পাৱম্পাৰিক মিলন-বাসনা প্রকট হৈ উঠা দেখা যায়। পৃথিৱীৰ উর্বৰা শক্তি বৃদ্ধিৰ কামনাৰে কৰা প্রকৃতিৰ আৰাধনাই হ'ল ৰঙালী বিহুৰ মূল ভেঁটি। উত্তৰ-পূব ভাৰতত বিভিন্ন জনগোষ্ঠীৰ মাজত অনুৰূপ কৃষি-উৎসৱৰ প্রাধান্য লক্ষ্য কৰা দেখা যায়।

শস্য বৃদ্ধিৰ কামনাৰে আই বসুমতীৰ সন্তুষ্টি বিধানৰ অর্থে ৰাভা, কার্বি আদি জনগোষ্ঠীয়েও নানান নৃত্য-গীত পৰিৱেশন কৰা দেখা যায়।ডিমাছাসকলেও শস্যৰ দেৱতা 'ব্রাই-শিব্রাই' আৰু বতাহ-বৰষুণৰ দেৱতা গামাচীৰ সন্তুষ্টিৰ অর্থে 'বুসু' উৎসৱ পালন কৰে। 'বুসু'ৰ অর্থ হ'ল একেলগে মিলি ভোজভাত খোৱা, যিটো মাঘবিহুৰ (উৰুকা)ৰ অনুৰূপ।

নামনি অসম, উত্তৰ বঙ্গ আৰু দৰং জিলাত সাধাৰণতে মনসা বা মাটৰ পূজাৰ প্রচলন দেখা যায়। এই পূজাত কিৰাত, দ্রাবিড়, প্রভৃতি আর্য্য ভিন্ন জনগোষ্ঠীৰ প্রভাৱ স্পষ্ট। মাটৰ পূজাৰ সৈতে সম্পর্কিত দেওধনি নৃত্য বড়ো, গাৰো, কার্বি জনগোষ্ঠীৰ মাজতো প্রচলিত। অসমৰ বিহুনৃত্য, দেওধনি নৃত্য, দেৱদাসী নৃত্য প্রভৃতি নৃত্যশৈলী মূলতঃ থলুৱা ধ্যান-ধাৰণাৰ ভেঁটিত গঢ় লৈ উঠিছে। কামৰূপী মাটৰ পূজাৰ সৈতে বড়োৰ খেড়াই পূজাৰ সাদৃশ্য বিদ্যমান।

অসমৰ প্রায়বোৰ জনগোষ্ঠীয় উৎসৱ-পার্বণ মূলতঃ কৃষিভিত্তিক। অৱশ্যে কৃষিভিত্তিক উৎসৱ-পার্বণৰ বাহিৰেও কেতবোৰ ধর্মীয় সংস্কাৰৰ সৈতে জড়িত আৰু পঞ্জিকা-আশ্রয়ী উৎসৱ-পার্বণো অনুষ্ঠিত কৰা হয়। শিৱৰাত্রি, জন্মাষ্টমী, দুর্গা পূজা,

কালী পূজা, সৰস্বতী পূজা, মহালয়া, দৌলযাত্রা, ফাকুৱা বা হোলী আদি সার্বজনীন উৎসৱসমূহ ৰাজহুৱাভাৱে পালন কৰা হয়।

৪.৫.৫ সামাজিক লোকাচাৰ

অসমৰ জনগোষ্ঠীয় সামাজিক লোকাচাৰসমূহ মূলতঃ মানৱ জীৱনৰ সৈতে গভীৰভাৱে সম্পর্কিত বিবিধ আচাৰ-অনুষ্ঠান। বিবিধ উৎসৱ, বিবাহ উৎসৱ, জন্ম-মৃত্যু-বিবাহৰ সৈতে জড়িত বিবিধ অনুষ্ঠান, অবসৰ বিনোদন, খেল-ধেমালি, লোক-ঔষধ আদিক লৈ সৃষ্টি হৈছে। লোকবিশ্বাসৰ গাত ভেজা দি সামাজিক লোকাচাসমূহ ক্রমবর্দ্ধমান ৰূপত মানৱ সমাজত প্রচলিত হৈ আহিছে। কোনো জনগোষ্ঠীৰ মাজত পৰম্পৰাগতভাৱে প্রচলিত হৈ অহা উৎসৱ-অনুষ্ঠান, ৰীতি-নীতি, লোক-উৎসৱ আদিয়েই হৈছে সামাজিক অনুষ্ঠান। পৰম্পৰাগতভাৱে প্রচলিত হৈ অহা সামাজিক লোকাচাৰৰ মাজত কোনো এটা জাতি বা জনগোষ্ঠীৰ সাংস্কৃতিক বৈশিষ্ট্যসমূহ সন্নিৱিষ্ট হৈ থাকে। গতিকে লোকাচাৰ হৈছে কোনো এখন সমাজত পৰম্পৰাগতভাৱে পালন কৰি অহা কিছুমান বিশেষ আচাৰ-নীতি আৰু ক্রিয়াকলাপৰ সমষ্টি।

অসমীয়া জাতি বিভিন্ন জাতি-উপজাতিৰ সংমিশ্রণত সৃষ্টি হৈছে আৰু সেয়ে অসমীয়া লোক-সংস্কৃতিৰ বিশাল ক্ষেত্রখনত বিভিন্ন জাতি জনগোষ্ঠীৰ সামাজিক লোকাচাৰে বর্ণাঢ্য আৰু বিচিত্রৰূপ পৰিগ্রহ কৰিছে।সামাজিক লোকাচাৰৰ অন্তর্গত বিভিন্ন উপাদানসমূহে ইয়াৰ ব্যাপক পৰিসৰৰ যোগেদি অসমীয়া সমাজত ঐক্য আৰু সম্প্রীতিৰ, সমন্বয় আৰু ভাতৃত্ববোধৰ পৰিচয় বহন কৰাত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছে।

সামাজিত লোকাচাৰ অন্তর্গত উৎসৱ অনুষ্ঠানৰ কথা ইতিমধ্যে আলোচনা কৰি অহা হৈছে। উৎসৱ-অনুষ্ঠানসমূহ দৰাচলতে আনন্দ প্রদানৰ উদ্দেশ্যে সৃষ্টি হ'লেও ইয়াৰ অন্তৰালত আন কেতবোৰ মনো-শাৰীৰিক আৰু ধর্মীয় চেতনাসমৃদ্ধ বিষয় জড়িত হৈ আছে।

সামাজিক লোকাচাৰৰ আন এটি ভাগ হৈছে অৱসৰ বিনোদন আৰু খেল-ধেমালি। মানুহে দৈনন্দিন কাম-কাজৰ অন্তত কিছু অৱসৰ বিচাৰে আৰু এই অৱসৰে খেল-ধেমালিৰ যোগেদি মানুহৰ শাৰীৰিক, মানসিক উৎকর্ষ সাধনত সহায় কৰে। অতি পুৰণি কালৰে পৰাই অবসৰ-বিনোদনৰ বাবে আমাৰ সমাজত ভালেমান খেল-ধেমালিৰ সৃষ্টি হৈছে। কেৱল শিশু আৰু কিশোৰসকলেই নহয়, বয়োজ্যেষ্ঠসকলো খেলাৰ প্রতি অতিশয় আগ্রহী হোৱা দেখা যায়।

লোকাচাৰৰ আন এটা বিভাগ হৈছে লোক-ঔষধ। অসমীয়া সমাজত পৰম্পৰাগত-ভাৱে ভালেমান লোক-ঔষধৰ প্রচলন হৈ আহিছে। দৰাচলতে লোক-ঔষধ বুলিলে পৰম্পৰাগত বন-ঔষধকে বুজোৱা হয় যদিও ই অকল বন-দৰৱতে সীমাবদ্ধ নহয়। বন-দৰৱৰ লগতে বিভিন্ন জীৱ-জন্তুৰ মঙহ, তেজ-ছাল প্রভৃতিক লোক উৎসৱ হিচাপে ব্যৱহাৰ কৰাৰ পৰম্পৰা আমাৰ সমাজত পুৰুষানুক্রমে চলি আহিছে। আমাৰ চৌপাশৰ উদ্ভিদ

আৰু প্ৰাণীজগতৰ পৰা আহৰণ কৰা এনে লোক-ঔষধে যুগ যুগ ধৰি সমাজ জীৱনত গভীৰ প্ৰভাৱ বিস্তাৰ কৰি আহিছে। লোক-চিকিৎসাৰ ক্ষেত্ৰত লোক-উৎসৱৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। মন্ত্ৰসাহিত্যত লোক-চিকিৎসা পদ্ধতিৰ স্বৰূপ চিত্ৰিত হৈছে। আয়ুৰ্বেদ, জ্যোতিষ বিজ্ঞান আদিৰ মাজেৰেও চিকিৎসা ব্যৱস্থাই সমাজত স্থান লাভ কৰা দেখা যায়। লোক-চিকিৎসাৰ সৈতে লোক-বিশ্বাস আৰু লোকপ্ৰজ্ঞাৰ দিশটো জড়িত হৈ আছে।

সামাজিক লোকাচাৰৰ অন্তৰ্গত লোকধৰ্মই লোকসমাজক ঐক্যবদ্ধ হোৱাত সহায় কৰিছে। লোকধৰ্ম হৈছে লোকসমাজত পৰম্পৰাগতভাৱে প্ৰচলিত হৈ অহা কেতবোৰ লোক-বিশ্বাসৰ সমষ্টি, যাৰ সৈতে আধ্যাত্মিকতা আৰু কিছুমান নীতি-নিয়ম সম্পৰ্কিত হৈ আহিছে। ধৰ্মৰ সৈতে জড়িত আধ্যাত্মিক চিন্তা আৰু বিশ্বাসে মানৱ সমাজক ন্যায় আৰু পৰোপকাৰৰ প্ৰতি উৎসাহিত কৰিছে। ধৰ্মই সামাজিক বান্ধোন কটকটীয়া কৰাৰ লগে লগে ঐক্য, সম্প্ৰীতি, ভাতৃত্ববোধ সুদৃঢ় কৰাতো সহায় কৰে।

ধৰ্মীয় জীৱনৰ সৈতে সম্পৰ্কিত সামাজিক লোকাচাৰকেই সাধাৰণতে ধৰ্মীয় লোকাচাৰ আখ্যা দিব পাৰি। এই ক্ষেত্ৰত পূজা-পাৰ্বণ আৰু অন্যান্য ধৰ্মীয় কৃত্য; যেনে— ব্ৰত, উপবাস, ধৰ্মীয় সংস্কাৰ আদিৰ কথা উল্লেখ কৰিব পাৰি। আমাৰ অসমত বসবাস কৰা বিভিন্ন জনগোষ্ঠীয় লোকসকলৰ মাজত উৰ্বৰা বিশ্বাসৰ পৰিণতি স্বৰূপে কেতবোৰ লোকধৰ্মী আচৰণে গা কৰি উঠিছে। এনে আচাৰৰ সৈতে পৰম্পৰাগত বিশ্বাস, মূল্যবোধ, আধ্যাত্মিক চিন্তা প্ৰভৃতি দিশসমূহ জড়িত হৈ আছে।

অসমৰ প্ৰায়বোৰ জনগোষ্ঠীয়েই স্বকীয় ৰূপত কেতবোৰ সামাজিক লোকাচাৰ অনুসৰণ কৰিলেও এটা কথা ঠিক যে তেওঁলোকে পালন কৰি অহা সামাজিক লোকাচাৰ-সমূহৰ মাজত কেতবোৰ দিশত সাদৃশ্য আছে। অসমীয়া জাতি-গঠন প্ৰক্ৰিয়াত বিভিন্ন সময়ত সংস্কৃতিৰ আদান-প্ৰদান, বিনিময় আৰু সংস্কৃতি গ্ৰহণৰ পৰিণতি স্বৰূপে অসমীয়া জাতি গঢ় লৈ উঠিছে। মহাকাব্য, পুৰাণৰ যুগৰে পৰা আৰম্ভ কৰি ঐতিহাসিক যুগৰ বিভিন্ন কালছোৱাত পুৰণি প্ৰাগজ্যোতিষ-কামৰূপৰ বিভিন্ন স্থানত ৰাজত্ব কৰা বিভিন্ন ৰাজবংশৰ ৰজাসকলৰ ৰাজত্ব কালত তেওঁলোকে গ্ৰহণ কৰা পৃষ্ঠপোষকৰ ভূমিকাই অসমৰ সামাজিক লোকাচাৰসমূহ সমৃদ্ধ কৰাত সহায় কৰিছে।

৪.৫.৬ খাদ্য

অসম এখন কৃষিপ্ৰধান দেশ আৰু ইয়াৰ প্ৰধান উৎপাদিত শস্য হৈছে ধান, মাহ, সৰিয়হ, কুঁহিয়াৰ ইত্যাদি। ধান প্ৰধান উৎপাদিত শস্য হোৱাৰ কাৰণে অসমৰ প্ৰায়বোৰ মানুহেই ভাতকেই প্ৰধান খাদ্য হিচাপে গ্ৰহণ কৰা দেখা যায়। কামৰূপত হাঁহ, পাৰ, কাছ, গাহৰি সৰ্বদায় ভক্ষণীয়। অসমৰ উচ্চ হিন্দু আনকি বৈষ্ণৱসকলেও মাছ-মাংস খোৱাত কোনো বাধা নাই। যোগিনীতন্ত্ৰত কামৰূপৰ মানুহক সৰ্বভক্ষী বুলি কোৱা হৈছে। তামোল-পাণ খোৱাতো সামাজিক সৰ্বসিদ্ধ ৰীতি।

অসমৰ নদীনসমূহত মাছ, কাছ বিস্তৰ পৰিমাণে পোৱা যায়। গতিকে অসমৰ সকলো শ্রেণীৰ মানুহে মাছ খোৱাত কোনো ধৰণৰ বাধা নাই। সেইদৰে অসমৰ অৰণ্য-সমূহত বিভিন্ন প্রকাৰৰ জীৱজন্তু, প্রাণী আদিয়ে বিচৰণ কৰে। অসমৰ মানুহে হাঁহ, পাৰ, কুকুৰা, ছাগলী, হৰিণ, গাহৰি, বিভিন্ন চৰাই-চিৰিকতিৰ মাংস ভক্ষণ কৰে। জনজাতীয় সমাজত মদ্যপাণো ধর্মৰ লগতেই ধৰা দেখা যায়। অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত নিজা নিজা নিয়মেৰে ঘৰুৱাভাৱে মদ প্রস্তুত কৰা দেখা যায়। প্রাচীন ঐতিহ্যপ্রসূত লোকাচাৰসমূহত বিভিন্ন ধৰণৰ পৰম্পৰাগত পূজা-পদ্ধতিত মদৰ সম্পর্ক এৰাব নোৱাৰা বিধৰ। পশ্চিমৰ পৰা অহা আর্য্যসকলেও থলুৱা মানুহৰ প্রভাৱত পৰি অসমত আহি মাছ খাবলৈ শিকিলে, তামোল-পাণ খাবলৈ শিকিলে আৰু নানা ধৰণৰ জন্তুৰ মঙহো ভক্ষণ কৰিবলৈ শিকিলে।

অসমৰ খাদ্য-ৰন্ধন প্রণালী সুকীয়া। ভাৰতৰ অন্যান্য ঠাইৰ তুলনাত অসমৰ ৰন্ধন প্রণালীৰ সুকীয়া বৈশিষ্ট্য আছে। অসমীয়া মানুহে খাৰ, টেঙা আৰু তিতাৰে বিবিধ ব্যঞ্জন প্রস্তুত কৰি খায়। মাছ আৰু মাংসৰ বিভিন্ন জুতি লগাকৈ ৰন্ধন কার্য সম্পন্ন কৰে। আহোম ৰজাসকলে এসময়ত খাদ্যৰ জুতিৰ বাবেই বিভিন্ন জনগোষ্ঠীৰ ৰান্ধনী নিয়োগ কৰিছিল। অসমৰ পৰম্পৰাগত খাদ্য সম্ভাৰত কলাখাৰ, গাজটেঙা, খাৰলি, কাহুদি, পচলা, বিভিন্ন ধৰণৰ শাকৰ আঞ্জা, মাণিমুনি, নৰসিংহ, ভেদাইলতা, সৰিয়হ-তিল প্রভৃতিৰে প্রস্তুত কৰা বিভিন্ন সুমিষ্ট খাদ্য সম্ভাৰৰ উল্লেখ পোৱা যায়। পুৰণি অসমীয়া সাহিত্যত অসমীয়া মানুহৰ ভোজন বিলাস আৰু ৰন্ধন-কর্ম-নৈপুণ্যৰ বিস্তৃত বর্ণনা পোৱা যায়। অনন্ত কন্দলি, ৰাম সৰস্বতী আদিৰ ৰচনাত অসমীয়া অন্ন-ব্যঞ্জনৰ সুন্দৰ তালিকা পোৱা যায়। চৰিত পুথিসমূহতো অসমৰ খাদ্যৰ ৰুচি সম্পর্কে উল্লেখ পোৱা যায়। বুৰঞ্জীসমূহতো ঠাই বিশেষে এনে উল্লেখ কৰা হৈছে।

অসমীয়া মানুহে বিভিন্ন জা-জলপান, পিঠা-পনা প্রস্তুত কৰি খাদ্য হিচাপে ব্যৱহাৰ কৰে। চিপ, কড়ি, আখৈ, কড়াই, সান্দহ, গোট কড়াই, কোমল চাউল, বৰা চাউল আদি জলপান হিচাপে ব্যৱহাৰ কৰা হয়। তাৰ লগতে তিলপিঠা, চুঙাপিঠা, সুতুলি পিঠা, ঘিলা পিঠা, ফেণী পিঠা, লাওপিঠা, টেকেলি পিঠা, লাডু ইত্যাদি বিভিন্ন ধৰণৰ পিঠা-পনা প্রস্তুত কৰি খায়। এইবোৰ অতি সুমিষ্ট আৰু স্বাস্থ্য-উপযোগী খাদ্য।

বর্তমান বঙ্গদেশৰ প্রভাৱত পৰি অসমীয়া মানুহে ৰসগোল্লা, সন্দেশ, জেলেপী, পেৰা, খুৰমা, কালাকান, ৰসমলাই, লালমোহন প্রভৃতি বিবিধ মিঠাই প্রস্তুত কৰি খোৱাটো চখত পৰিণত হৈছে। ঊনবিংশ শতিকাতেই বঙালী ব্যৱসায়ীসকলৰ মাধ্যমেদি অসমত বিভিন্ন ধৰণৰ মিঠাইয়ে প্রভাৱ বিস্তাৰ কৰে। অসমীয়া মানুহে সাধাৰণতে পিঠা-পনাৰ বাহিৰে দোকানৰ মিঠাই খাবলৈ টান পাইছিল। এতিয়াও ভকত শ্রেণীৰ লোকসকলে চানাজাতীয় মিঠাইৰ বাহিৰে চিংৰা, গজা, কছুৰী, নিম্‌কি প্রভৃতি খোৱাত বিশেষ আগ্রহ নেদেখুৱায়।

৪.৫.৭ সাজপাৰ

অসমীয়া সাজপাৰ সাধাৰণতে তাঁতশালত প্ৰস্তুত কৰি লোৱা হয়। পুৰুষৰ বাবে ধুতি, চুৰিয়া মহিলাৰ বাবে চাদৰ, মেখেলা, ৰিহা আদি ঘৰুৱাভাৱে প্ৰস্তুত কৰি লোৱা হয়। অসমীয়া শিপিনীয়ে তাঁতৰ পাটত সপোনৰ ফুল বাছিব পাৰে। সেইবাবে দৈনন্দিন জীৱনৰ বাবে প্ৰয়োজনীয় হাচতি, গামোচা, বৰকাপোৰ, সৰুকাপোৰ, একঠীয়া, দুকঠীয়া, গাৰিদিয়া, ৰিহা, মেখেলা আদি নিজেই প্ৰস্তুত কৰি লয়। তাৰ বাহিৰেও এড়ি, মুগা, পাট, প্ৰভৃতিৰ সূঁতা কাটি বস্ত্ৰ প্ৰস্তুত কৰাত অসমীয়া ৰমণী আছিল সিদ্ধহস্ত।

অসমীয়া সমাজখন বিভিন্ন জনগোষ্ঠীৰ সমন্বয়ত সৃষ্টি হৈছে আৰু সেয়ে গোষ্ঠী, সম্প্ৰদায়, ধৰ্ম আৰু অঞ্চল নিৰ্বিশেষে অসমীয়া মানুহে বিভিন্ন ধৰণৰ সাজপাৰ আৰু অলঙ্কাৰ পৰিধান কৰা দেখা যায়। সাজপাৰৰ যোগেদি একো-একোটা জনগোষ্ঠীৰ জাতীয় পৰিচয় পাব পাৰি। পুৰণি অসমীয়া সাহিত্যত বিভিন্ন প্ৰসঙ্গত সাজপাৰৰ বৰ্ণনা দাঙি ধৰিছে যদিও সেয়া পৰ্যাপ্ত নহয়। পুৰণি সাঁচিপতীয়া পুথিসমূহতো সেই সময়ৰ বিভিন্ন শ্ৰেণীৰ মানুহে ব্যৱহাৰ কৰা সাজপাৰৰ উল্লেখ পোৱা যায়।

ভাস্কৰ বৰ্মাৰ সময়তেই অসমৰ পাট শিল্পই সৰ্বভাৰতীয় খ্যাতি অৰ্জন কৰিছিল। পুৰণি কালত অসমীয়া তিৰোতাই ৰিহাৰে বুকুত মেখনি মাৰিছিল। সাধাৰণতে চোলা নিপিন্ধিছিল। সাধাৰণতে উৎসৱ-অনুষ্ঠানত ৰিহাৰ ওপৰত চাদৰ বা চেলেং লোৱা হৈছিল। বৃটিছৰ শাসন কালতহে ব্লাউজ, পেটিকোট প্ৰভৃতি সামগ্ৰীয়ে অসমীয়া নাৰীৰ সাজপাৰৰ স্থান লাভ কৰিবলৈ সক্ষম হয়। ভাৰতবৰ্ষৰ অন্যান্য প্ৰদেশৰ দৰে ধুতিয়েই অসমীয়া পুৰুষৰ অধোবাস আছিল। ধুতিৰ এটা আগেৰে পোন্ধ মাৰিছিল। সামাজিক মৰ্যাদা অনুসাৰে ধুতি পিন্ধাৰ নিয়ম আছিল। খেতিয়ক, গৰখীয়া আদিয়ে সাধাৰণতে নাভিৰ তলত ধুতি পিন্ধিছিল। বিষয়া আৰু মধ্যবিত্ত শ্ৰেণীৰ মানুহে সাধাৰণতে দুই বস্ত্ৰ পৰিধান কৰিছিল। প্ৰধান হ'ল অধোবাস, অৰ্থাৎ ধুতি। পুৰুষে পৰিধান কৰা দ্বিতীয়বিধ বস্ত্ৰ হ'ল উত্তৰীয় বা চাদৰ। প্ৰাক্-আহোম যুগত চোলা বা কামিজৰ ব্যৱহাৰ নাছিল যেন অনুমান হয়। আহোম যুগত চোলা, পটলুং আদি ব্যৱহাৰৰ উল্লেখ পোৱা যায়। আহোমৰ ৰজা আৰু ডা-ডাঙৰীয়াসকলে চীনা আৰ্হিত হাতদীঘল চুটি চোলা পিন্ধিছিল। ৰুদ্ৰসিংহৰ দিনত মোগলাই সাজপাৰ আমাৰ দেশলৈ আহিল। প্ৰাক্-আহোম যুগত তিৰোতাই কঁকালত মেখেলা পিন্ধি বুকুত মেখনি মাৰি মূৰত এখন কাপোৰ লৈছিল। ৰিহা আহোম যুগৰ পৰাহে জনপ্ৰিয় হয়।

আহোম ৰজা গদাধৰ সিংহৰ দিনলৈকে ডা-ডাঙৰীয়া আৰু প্ৰজাই চুৰিয়া, মূৰত ফচৌ আৰু গাত চুটি চোলা পিন্ধিছিল। ৰুদ্ৰসিংহৰ দিনৰে পৰা অসমত ভাটিৰ সাজপাৰে প্ৰাধান্য লাভ কৰে।

অসমীয়া নাৰীয়ে সাধাৰণতে তিনিখন বস্ত্ৰ পৰিধান কৰিছিল— ৰিহা, মেখেলা আৰু চাদৰ। বিয়াত কন্যাই ৰিহা পৰিধান কৰাটো বাধ্যতামূলক আছিল।অসমীয়া তিৰোতাৰ সাজপাৰ ভাৰতৰ অন্যান্য ঠাইৰ তিৰোতাতকৈ পৃথক আৰু গাম্ভীৰ্যপূৰ্ণ।

অসম বুৰঞ্জীত আহোমসকলে ক'লা কাপোৰ পৰিধান কৰাৰ উল্লেখ পোৱা যায়। অসমৰ বিভিন্ন জনগোষ্ঠীৰ লোকসকলে নিজস্ব আৰ্হিৰে তাঁত বৈ প্ৰয়োজনীয় বস্ত্ৰ তৈয়াৰ কৰি লৈছিল। বস্ত্ৰশিল্পত জনজাতীয় লোকসকল আছিল অতি পাৰদৰ্শী। বস্ত্ৰশিল্পত অসমীয়া শিপিনীৰ পাৰদৰ্শিতাৰ কথা মহাত্মা গান্ধীয়েও স্বীকাৰ কৰি থৈ গৈছে। অতীজতে ধুতি, ৰিহা আৰু চাদৰৰ দৰে ৰিহাও নিসিয়া বস্ত্ৰহে আছিল। অসমীয়া জনজাতীয় মহিলাই সাধাৰণতে বুকুত মেখনি মাৰি আঁঠুৰ ওপৰলৈ পেলাই মেখেলা পিন্ধিছিল।

মিছিং জনজাতিৰ লোকসকলে বিভিন্ন চানেকিৰ ফুল বাচি ৰংচঙীয়া বস্ত্ৰ প্ৰস্তুত কৰিছিল। আনহাতে ৰাভা জনজাতিৰ সাজপাৰসমূহ আড়ম্বৰহীন।

তাঁত বোৱা আৰু বৰ জনাটো অসমীয়া নাৰীৰ বাবে অপৰিহাৰ্য অৰ্হতা ৰূপে বিবেচিত হৈ আহিছে। ডাকৰ বচন, প্ৰবাদ-প্ৰবচন আদিত অসমীয়া নাৰীৰ বস্ত্ৰ শিল্পত পাৰদৰ্শিতাৰ উল্লেখ পোৱা যায়। বিয়ানাম, বিহুগীত, মণিকোঁৱৰ গীত, ফুলকোঁৱৰৰ গীত, জনা গাভৰুৰ গীত প্ৰভৃতি বিভিন্ন লোকসাহিত্যত অসমীয়া সাজপাৰ আৰু বস্ত্ৰ শিল্পৰ উল্লেখ পোৱা যায়। বিয়ানামত আইদেউৰ বিয়াৰ বাতৰি শুনি তাঁতশালেও ক্ৰন্দন কৰা বুলি বৰ্ণনা কৰা হৈছে—

"বৰঘৰত কান্দিলে মাকে -বাপেকে
মাৰলত কান্দিলে ভনী।
বাৰীৰ পাছফালে কান্দে তাঁতৰ শালে
আইদেউক বিয়া দিবৰ শুনি।।"

বৃটিছসকল ভাৰতলৈ অহাৰ পিছৰে পৰাই অসমৰ সাজপাৰৰ যথেষ্ট পৰিৱৰ্তন সূচিত হয়। লগে লগেই ইউৰোপীয় সাজপাৰে ভাৰতীয় বজাৰ ভৰি পৰে। নগৰমুখিতা আৰু ঔদ্যোগিক বিকাশৰ ফলস্বৰূপে আমাৰ পৰম্পৰাগত ৰীতি-নীতি আৰু মূল্যবোধৰ যথেষ্ট পৰিৱৰ্তন সূচিত হৈছে। আনকি জনজাতীয়সকলৰ মাজতো আধুনিক সাজপাৰ সোমাই পৰিছে। সেয়ে আমাৰ সাজ-পাৰ, পিন্ধন-উৰণতো ভালেমান নতুন নীতি সোমাই পৰিছে। বৰ্তমান ঔদ্যোগিক বিকাশৰ পৰিণতিস্বৰূপে যন্ত্ৰচালিত উদ্যোগৰ যোগেদি প্ৰস্তুত মিহি বস্ত্ৰই জনসাধাৰণৰ মাজত জনপ্ৰিয়তা লাভ কৰাত পৰম্পৰাগত তাঁতশালৰ দ্বাৰা উৎপাদিত সামগ্ৰীয়ে বজাৰত গুৰুত্ব নোপোৱা হৈছে। আনহাতে অসমীয়াৰ হেঁপাহৰ বিহুৱানখনো বৰ্তমান বাহিৰৰ পৰা আমদানি হোৱাত আমাৰ ঐতিহ্যত আঘাত হানিছে আৰু অসমীয়া জাতীয় জীৱনৰ অৰ্থনৈতিক দিশটো বাধাগ্ৰস্ত হৈছে।

৪.৫.৮ অলঙ্কাৰ

অসমত অতি প্ৰাচীন কালৰে পৰাই পুৰুষ-নাৰী নিৰ্বিশেষে বিবিধ অলঙ্কাৰ পৰিধান কৰাৰ ৰীতি প্ৰচলিত হৈ আহিছে। *কালিকাপুৰাণত* অসমীয়া নাৰীয়ে ব্যৱহাৰ কৰা অলঙ্কাৰৰ এখনি দীঘলীয়া তালিকা সন্নিৱিষ্ট হৈছে। অসমীয়া মানুহে অতি পুৰণি কালৰে পৰাই বিভিন্ন ধাতুৰ আকৰেৰে অয়-অলঙ্কাৰ প্ৰস্তুত কৰি পৰিধান কৰিছিল। এসময়ত সোৱণশিৰী, দিহিং, দিহং প্ৰভৃতি নদীৰ বালিত সোণৰ আকৰ পোৱা গৈছিল।

আহোম ৰাজত্বকালত সোণ, ৰূপ, তাম আদি ধাতুৰে নিৰ্মিত বিবিধ অলঙ্কাৰ পৰিধান কৰিছিল। সাধাৰণ শ্ৰেণীৰ মানুহৰ মাজত পিতলৰো ব্যৱহাৰ আছিল। বুৰঞ্জীবোৰত ৰজাঘৰীয়া জোৰণ আৰু পত্ৰ-সন্দেশৰ লগত দিয়া অলঙ্কাৰৰ তালিকাৰ ভালেমান অলঙ্কাৰৰ নাম পোৱা যায়। অসমীয়া নাৰীয়ে হাতত, আঙুলিত, ডিঙিত, কঁকালত বিভিন্ন অলঙ্কাৰ পিন্ধিছিল। অসমীয়া লোকগীততো অলঙ্কাৰৰ প্ৰাচুৰ্যৰ বৰ্ণনা পোৱা যায়। অসমৰ জনজাতিসকলৰ মাজতো পৰম্পৰাগত আৰু আধুনিক বিভিন্ন ধৰণৰ অলঙ্কাৰৰ ব্যৱহাৰ আছে।

অসমীয়া মানুহে পৰিধান কৰা অলঙ্কাৰৰ কথা লীলা গগৈয়ে উল্লেখ কৰিছে এনেদৰে— "পুৰুষে হাতত আঙুঠি, ডিঙিত শিলিখামণি, মতা মণি, কাণত কৰিয়া আৰু লোকপাৰ, বাহুত বাজু পিন্ধিছিল। তিৰোতাই সকলো অঙ্গতে অলঙ্কাৰ পিন্ধিছিল। এনে লাগে আহোম যুগৰ এগৰাকী সম্ভ্ৰান্ত তিৰোতাৰ গাত কুৰি-ডেৰকুৰি তোলা সোণ ওলমি আছিল।" অসমীয়া লোকগীত বিশেষকৈ বিহুগীত, বিয়ানাম, মালিতা আদিত অলঙ্কাৰৰ প্ৰাচুৰ্যৰ উল্লেখ পোৱা যায়। বিহুগীতত আছে—

"শুৱায় কি নুশুৱায় সোণৰ পোৱালমণি
বণিয়াই বণিয়াই চাওঁ;
আতোলা সোণেৰে বিৰি গঢ়াই দিয়া
বিহু মাৰিবলৈ যাওঁ।" ইত্যাদি।

বিয়া নামতো অলঙ্কাৰৰ প্ৰচুৰ বৰ্ণনা পোৱা যায়। জোৰণৰ নামত *"মাৰাৰ অলঙ্কাৰ থোৱা কাটি কৰি। দেউতাৰাৰ অলঙ্কাৰ থোৱাহে"* প্ৰভৃতি বৰ্ণনাই অসমীয়া সমাজত অলঙ্কাৰৰ প্ৰাচুৰ্যৰ আভাস দাঙি ধৰে। অলঙ্কাৰ ব্যৱহাৰৰ সৈতে অসমীয়া জাতিৰ জাতীয় জীৱনৰ ঐতিহ্য, পৰম্পৰা, বিশ্বাস আৰু মূল্যবোধ জড়িত হৈ আছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ অসমীয়া স্ত্ৰী-পুৰুষৰ মাজত কেনে ধৰণৰ অলঙ্কাৰ প্ৰচলিত আছিল? (১৫০টা শব্দৰ ভিতৰত লিখক)

৪.৫.৯ সঙ্গীত

অসমীয়া সঙ্গীতৰ ইতিহাস অতি পুৰণি। অসমত লোকসঙ্গীতে অতি পুৰণি কালতেই বিশেষ সমৃদ্ধি লাভ কৰে বুলি অনুমান কৰিব পাৰি। পুৰণি কামৰূপৰ ৰজা ভাস্কৰ বর্মাই হিউৱেন চাঙক আতিথ্য দিবৰ বাবে নৃত্য-গীতৰ আয়োজন কৰা বুলি জনা যায়।

পুৰণি অসমৰ শিৱ মন্দিৰবোৰত নিয়মীয়াভাৱে নৃত্য-গীতৰ চর্চা হৈছিল। অসমৰ ডুবি, পৰিহৰেশ্বৰ, নেঘেৰিটিং বিশ্বনাথ, উমানন্দ আদি মন্দিৰত নৃত্য গীতৰ চর্চা হৈছিল বুলি জনা যায়। অসমৰ ওজাপালিৰ ঐতিহ্যও অতি প্রাচীন। চর্যাগীত, দুর্গাবৰৰ *গীতি-ৰামায়ণ* আদিত বিভিন্ন ৰাগ-সঙ্গীতৰ উল্লেখ পোৱা যায়। চর্যাগীতত ব্যৱহৃত ভালেমান ৰাগৰ উল্লেখ শঙ্কৰ-মাধৱৰ বৰগীততো পোৱা যায়। ভাৰতীয় সঙ্গীত শাস্ত্রৰ নীতি অনুসৰি বৰগীতসমূহ ৰচিত আৰু পৰিৱেশিত হ'লেও কেইবাটাও ৰাগত পৰম্পৰাগত সুৰৰ প্রয়োগ লক্ষ্য কৰা যায়।

অসমীয়া সঙ্গীতৰ উৎকর্ষৰ ক্ষেত্রত স্বর্গদেউ ৰুদ্রসিংহৰ অৱদান সর্বাধিক। তেওঁৰ দিনতেই ভাৰতীয় সঙ্গীত আৰু থলুৱা সঙ্গীত উভয়ৰে বিকাশৰ বাবে ৰাজকীয় পৃষ্ঠপোষকতা প্রদান কৰা দেখা যায়। ৰুদ্রসিংহ নিজে এগৰাকী সঙ্গীত-অনুৰাগী ৰজা আছিল। তেওঁ থলুৱা সঙ্গীতৰ উৎকর্ষ সাধনৰ বাবে ভালেমান খেলৰ সৃষ্টি কৰিছিল। মহাপুৰুষ শঙ্কৰদেৱে শাস্ত্রীয় পৰম্পৰাৰ নৃত্যধাৰাক অধিক জনপ্রিয় কৰি তোলে। দেওধনি, দেৱদাসী খেৰাই প্রভৃতি নৃত্যৰ সৈতে ধর্মীয় কার্যৰ সম্পর্ক ৰক্ষিত হৈ আহিছে। অসমৰ পার্বত্য জনগোষ্ঠীসমূহৰ মাজত ভালেমান পৰম্পৰাগত নৃত্য নিশা উদ্‌যাপন কৰা হয়। বসন্তকালত উদ্‌যাপিত ৰাতি বিহুত ডেকা-গাভৰুৰ প্রেম আৰু যৌৱনে সুকীয়া মর্যাদা লাভ কৰা দেখা যায়।

বড়োসকলৰ বৈছাগু উৎসৱৰ সৈতে জড়িত বৈসাগু নৃত্যও বিহুৰ সমধর্মী নৃত্য। ৰাভাসকলে বায়খু উৎসৱ উপলক্ষে ছাথাৰ গীত গাই ছাথাৰ নৃত্য পৰিৱেশন কৰে। ৰাভাসকলৰ বহুৰাঙী গীত তথা নৃত্যও আমোদজনক বসন্তকালীন অনুষ্ঠান।

অসমৰ চাহজনজাতিসকলৰ মাজতো ভালেমান নৃত্য-গীতৰ প্রচলন আছে। সাধাৰণতে কৰম পূজা উপলক্ষ্যে ঝুমুইৰ গীত, তুচু পৰৰ উপলক্ষ্যে তুচু গীত গোৱা হয়। তেওঁলোকৰ কৰম পৰৰ বিহুৰ সমতুল্য কৃষিভিত্তিক উৎসৱ।

ভাৰতীয় ৰাগ-সঙ্গীতৰ ঐতিহ্যপ্রসূত আৰু নির্দিষ্ট ৰাগ-তালত ৰচিত হ'লেও চর্যাগীত,বৰগীত আৰু দুর্গাবৰৰ গীতত উল্লেখ কৰা ৰাগবোৰত এটা সুকীয়া বৈশিষ্ট্য লক্ষ্য কৰা যায়। নৃত্যৰ ক্ষেত্রতো একে কথাই প্রযোজ্য। মুঠতে ভাৰতীয় ঐতিহ্যৰ লগে লগে থলুৱা ঐতিহ্য আৰু পৰম্পৰাৰ সমন্বয়ত অসমীয়া সঙ্গীতে বিকাশ লাভ কৰিছে। বাদ্যযন্ত্রৰ ক্ষেত্রতো সর্বভাৰতীয় বাদ্যযন্ত্রৰ অনুৰূপে থলুৱা ঐতিহ্যপ্রসূত লোকবাদ্যৰ ব্যৱহাৰ অধিক।

৪.৫.১০ পৰিৱেশ্য কলা

পৰিৱেশ্য কলা বুলিলে বাচিক কলাৰ পৰিৱেশ্য ৰূপটোকে বুজায়। বিহুগীতৰ গীতাংশ লোকগীতৰ অন্তর্গত। আনহাতে, নৃত্যাংশ পৰিৱেশ্য কলাৰ ভিতৰত পৰে। শাস্ত্রীয় পৰম্পৰাৰ নৃত্যধাৰাই শঙ্কৰদেৱৰ হাততেই জনপ্রিয় ৰূপ লাভ কৰে। সূত্রধাৰী নাচ, চালি নাচ, নটুৱা নাচ আদিৰ অন্তৰালত শাস্ত্রসন্মত বিধি-সন্নিৱিষ্ট হৈ আছে আৰু এইবোৰক বিশেষ ধৰণেৰে অঙ্গ-সঞ্চালন কৰা হয়। আহোম ৰাজত্বকালত নাচনিয়াৰ খেলৰ যোগেদি চালি-নাচ, গোপিনাচ, সূত্রধাৰী নাচ আদিয়ে ৰাজ পৃষ্ঠপোষকতা লাভ কৰিবলৈ সক্ষম হয়। আহোম ৰজাৰ পৃষ্ঠপোষকতাত ৰজাপালি, দেওধনি ইত্যাদি লোকনৃত্যৰ লগে লগে ৰাজসভাত অতি আড়ম্বৰেৰে অঙ্কীয়া ভাওনা অনুষ্ঠিত হৈছিল। অঙ্কীয়া ভাওনাই পৰিৱেশ্য কলা ৰূপে সেই সময়ত বিশেষ ৰাজকীয় মর্যাদা লাভ কৰিবলৈ সক্ষম হৈছিল। ৰাজেশ্বৰ সিংহ, গৌৰীনাথ সিংহ, কমলেশ্বৰ সিংহ আদিৰ ৰাজত্বকালত ভালেকেইখন অঙ্কীয়া নাট ৰাজসভাত পৰিবেশিত হোৱা বুলি অসম বুৰঞ্জীত উল্লেখ পোৱা যায়।

পৰিৱেশ্য কলা ৰূপত দেওধনি নৃত্য, দেৱদাসী নৃত্য, ওজাপালি, পুতলা নাচ আদিৰ গুৰুত্ব সর্বাধিক। নাটৰ সৈতে নৃত্যৰ অবিচ্ছেদ্য সম্পর্ক ৰক্ষিত হোৱাৰ বাবেই অঙ্কীয়া নাটকত নৃত্যৰ গুৰুত্ব বৃদ্ধি পাইছে। সূত্রধাৰী নাচ, গোসাঁই প্রৱেশৰ নাচ, গোপী প্রৱেশৰ নাচ, যুদ্ধৰ নাচ, চালি নাচ, ঝুমুৰ নাচ, বেহাৰ নাচ, গোপী নৃত্য প্রভৃতিয়ে শঙ্কৰী যুগত প্রভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল।

বড়ো-কছাৰীসকলৰ খেৰাই নৃত্য বাথৌ পূজা উপলক্ষ্যে পৰিৱেশিত হয়। খেতিৰ সমৃদ্ধি সাধন কৰাৰ বাবে শিৱ দেৱতাৰ সন্তুষ্টিৰ অর্থে পুৰুষ-নাৰীয়ে একেলগে খেৰাই-নৃত্য পৰিৱেশন কৰা দেখা যায়।

সাধাৰণতে মনসা পূজা উপলক্ষ্যে দেওধনি নৃত্যৰ আয়োজন কৰা হয়। বড়ো, পাতি ৰাভা আৰু হাজংসকলে মটৰ পূজা উপলক্ষ্যে দেওধনি নৃত্যৰ আয়োজন কৰে। মনসা পূজা, কামাখ্যাৰ কুমাৰী পূজা, বড়ো কছাৰীসকলৰ খেৰাই পূজা আদিত অমঙ্গল বিনাশৰ অর্থে দেওধনি নৃত্যৰ আয়োজন কৰা হয়।

ওজাপালি নৃত্য দৰাচলতে গীত, নৃত্য আৰু অভিনয়ৰ সমষ্টি। আদিতে মাটৰ পূজাৰ সৈতে ওজাপালিৰ সম্পর্ক আছিল যদিও পৰৱর্তী কালত ই শক্তি পূজা, বিষ্ণু পূজা আৰু সত্রীয়া পদ্ধতিতো প্রৱেশ লাভ কৰে। ৰাভাসকলে বায়খু উৎসৱ উপলক্ষে ছাথাৰ গীত গাই 'ছাথাৰ নৃত্য' পৰিৱেশন কৰে। বিহুগীত আৰু বৈশাগু গীতৰ দৰেই ছাথাৰ গীতসমূহো প্রেমমূলক গীত।

মিছিংসকলে আলি-আই-লৃগাং উপলক্ষ্যে ঐনিতম গাই— গুমৰাগ নৃত্য পৰিৱেশন কৰে। বিচু বা 'বাই-ডিমা' নৃত্য ডিমাছাসকলৰ মাজত প্রচলিত উল্লেখযোগ্য নৃত্য। এই নৃত্য উপলক্ষ্যে পুৰুষ আৰু নাৰী একত্রিত হৈ প্রণয়মূলক গীত গাই বৃত্তাকাৰে নৃত্য পৰিৱেশন কৰে। ডিমাছাসকলৰ নৃত্য ভঙ্গিমাত অঙ্গ-সঞ্চালন মন কৰিবলগীয়া।

অসমৰ পৰম্পৰাগত নৃত্যশৈলীৰ ভিতৰত দেৱদাসী নৃত্যৰ গুৰুত্ব অপৰিসীম। এই নৃত্যত শাস্ত্রীয় সমলৰ লগে লগে লোকসমলেও প্রাধান্য লাভ কৰিছে।গতিকে দেখা যায় যে অসমৰ পৰম্পৰাগত পৰিৱেশ্য কলাৰীতিৰ সৈতে অসমৰ পৰম্পৰাগত ঐতিহ্য, লোকবিশ্বাস, লোকধর্ম আদিৰ গভীৰ সম্পর্ক আছে। দেওধনি নৃত্য, দেৱদাসী নৃত্য, গুমৰাগ নৃত্য, ওজাপালি, পুতলা নাচ, ঢুলীয়া নৃত্য প্রভৃতি প্রায়বোৰ নৃত্যৰ সৈতে থলুৱা পৰম্পৰা আৰু লোক-বিশ্বাসৰ গভীৰ সম্পর্ক আছে। এনে সম্পর্কৰ গভীৰতাৰ বাবেই প্রায়বোৰ লোক-পৰিৱেশ্য কলাই ধর্ম আৰু আধ্যাত্মিকতাৰ সৈতে সম্পর্ক ৰক্ষা কৰিবলৈ সক্ষম হৈছে।



৪.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- বৰ অসম, সমন্বয় আৰু সমাহৰণ অধ্যায়টোৰ পৰা আমি গম পালোঁ যে বৃহত্তৰ অসম প্রদেশখন দৰাচলতে সাতভনীৰ সমন্বিত ৰূপ। স্বাধীনতাৰ পৰৱর্তী কালত বিভিন্ন ধৰণৰ ৰাজনৈতিক, অর্থনৈতিক কাৰণত সাতভনীৰ ঐক্য মাজে-সময়ে বিঘ্নিত হ'লেও দৰাচলতে সমন্বয় আৰু সমাহৰণৰ যোগেদি গঢ় লৈ উঠা অসমৰ সংস্কৃতিত সদায়েই ঐক্য আৰু সম্প্রীতিৰ মন্ত্রই ঘোষিত হৈ আহিছে।
- ইতিহাসৰ বিভিন্ন সময়ত উত্তৰ-পূব ভাৰতলৈ বিভিন্ন আর্থ-সামাজিক আৰু ৰাজনৈতিক কাৰণত প্রব্রজিত হোৱা লোকসকলক লৈয়েই অসমীয়া জাতি গঢ় লৈ উঠিছে। সমন্বয় আৰু সমাহৰণৰ প্রক্রিয়া ত্বৰান্বিত হোৱাৰ পৰিণতি স্বৰূপ আমাৰ মাজত ঐক্য আৰু সম্প্রীতিয়ে বিৰাজ কৰিছে।
- বৰ অসম বুলি কওঁতে ভৌগোলিক আৰু ৰাজনৈতিক সীমা অতিক্রম কৰি আবেগিক ঐক্যৰ সূচনা কৰা সাতভনীৰ ঐক্যৰ তাৎপর্য উপলব্ধি কৰা হৈছে। দৰাচলতে বৃহৎ অঞ্চলটোৰ সাতখন ৰাজ্যৰ বিনিময়, আদান-প্রদান আৰু সংস্কৃতি-গ্রহণৰ পৰিণতি স্বৰূপে বৰ অসমৰ বর্ণিল সংস্কৃতিয়ে গঢ় লৈ উঠিছে।
- অসমীয়া সংস্কৃতিৰ মূলতে হৈছে সমন্বয় আৰু সমাহৰণ। সংস্কৃতি-গ্রহণৰ পৰিণতি স্বৰূপে এই ভূখণ্ডলৈ প্রবজিত হোৱা লোকসকলৰ মাজত আর্থ-সামাজিক আৰু সাংস্কৃতিক যোগসূত্র স্থাপিত হৈ বর্তমানৰ সংস্কৃতি গঢ় লৈ উঠিছে।
- অসমৰ পুৰণি নাম আছিল প্রাগজ্যোতিষপুৰ আৰু কামৰূপ। 'অসম' নামটো অর্বাচীন। আহোম ৰাজত্বৰ পৰৱর্তী কালতহে এই নামটোৰ সূচনা হয়।
- অসম নামৰ উৎপত্তি সম্পর্কত ভিন্ন মত পোৱা যায়। বাণীকান্ত কাকতিকে ধৰি বিভিন্ন পণ্ডিতে অসম নামৰ সম্পর্কত ভিন্ন মত আগবঢ়াইছে।
- ভৌগোলিকভাৱে অসম ভাৰতবর্ষৰ পূব প্রান্তত অৱস্থিত। এই দেশৰ জলবায়ু গৰম আৰু সেমেকা। ইয়াৰ মুঠ মাটিকালি ৭৮,৪৮৩ বর্গ কিলোমিটা।

- অসমীয়া সংস্কৃতি ঐতিহাসিক ক্রম-বিৱর্তনৰ পৰিণতি।বিভিন্ন জনগোষ্ঠীৰ সমন্বয়ত বৃহত্তৰ অসমীয়া জাতি গঢ়ি উঠিছে।
- অসমৰ জনগাঁথনিত অষ্ট্রিক, মঙ্গোলীয় (কিৰাত), দ্রাবিড় আৰু আর্য্য নৃগোষ্ঠীৰ সমন্বয় সাধিত হৈছে। দীর্ঘদিনীয়া সম্প্রীতি, সমন্বয় আৰু আদান-প্রদান, তথা বিনিময়ৰ পৰিণতি স্বৰূপে অসমীয়া সংস্কৃতিয়ে বর্তমানৰ ৰূপ পৰিগ্রহ কৰিছে।
- সময়ৰ পৰিৱর্তনৰ লগে লগে অসমীয়া সংস্কৃতিত কিছুমান নতুন নতুন কথা যোগ হৈছে আৰু ই বর্ণাঢ্য ৰূপ লাভ কৰিছে।
- বিভিন্ন আর্থ-সামাজিক আৰু ৰাজনৈতিক কাৰণত অতীজতে অসমলৈ বিভিন্ন জনগোষ্ঠীৰ লোকৰ আগমন ঘটিছিল আৰু বর্তমানো সেই প্রক্রিয়া অব্যাহত আছে। অসমীয়া সংস্কৃতি সন্মিলিত আৰু সমবেত সৃষ্টি। ইয়াত আর্য্য আৰু আর্য্য ভিন্ন জনগোষ্ঠীৰ সমন্বয় সাধিত হৈছে আৰু অসমৰ জনগাঁথনিত তাৰ প্রভাৱ পৰিছে।
- ভাষা আৰু সাহিত্যৰ ক্ষেত্রতো সমন্বয়ৰ আদর্শ দেখা যায়। অসমীয়া ভাষা আর্য্যমূলীয় হ'লেও অসমীয়া ভাষাৰ ধ্বনি, ৰূপ, শব্দগঠন আদিত থলুৱা প্রভাৱ অস্বীকাৰ কৰিব নোৱাৰি। অসমীয়া ভাষা-সাহিত্যৰ বিকাশত থলুৱা তথা জনজাতীয় মূলৰ ৰজাসকলৰ পৃষ্ঠপোষকতাই গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছিল।
- প্রাক্-শঙ্কৰী যুগতেই পৌৰাণিক আৰু মহাকাব্যিক ঐতিহ্যৰ যোগেদি অসমীয়া সাহিত্য ভাৰতীয় পৰম্পৰাৰ সৈতে সংযুক্ত হৈ পৰে। পৰৱর্তী কালৰ সাহিত্যত ভাৰতীয় আৰু পাশ্চাত্যৰ সাহিত্যৰ সৈতে অসমীয়া সাহিত্যৰ সম্পর্ক স্থাপিত হয়।
- অৰুণোদয়, জোনাকী প্রভৃতি যুগত পাশ্চাত্য সাহিত্যৰ বিষয়বস্তু, ৰচনাৰীতি আদিৰ দ্বাৰা অসমীয়া সাহিত্য প্রভাৱিত হয়।বিভিন্ন সাহিত্য ৰূপৰ অধ্যয়নত পাশ্চাত্যৰ প্রভাৱ অস্বীকাৰ কৰিব নোৱাৰি।
- অসমৰ প্রাচীনতম লোকধর্ম ৰূপে কৈৰাতজ ধর্ম আৰু পৰৱর্তী কালত শৈৱ, শাক্ত, বৈষ্ণৱ প্রভৃতি ধর্মই অসমত প্রভাৱ বিস্তাৰ কৰে। মধ্যযুগত ইছলাম ধর্ম আৰু পৰৱর্তী কালত খ্রীষ্টিয়ান ধর্মও অসমত প্রচাৰিত হয়।
- অসমত ভালেমান জনগোষ্ঠীয় লোকাচাৰ পালিত হয় আৰু এইসমূহ আচাৰৰ মাজত ভালেমান দিশত সাদৃশ্য বিদ্যমান। লোকাচাৰ আৰু লোক-উৎসৱৰ বৈচিত্রই অসমীয়া সংস্কৃতিক বর্ণাঢ্য ৰূপ প্রদান কৰিছে।
- অসমত জাতি-বর্ণ নির্বিশেষে মাছ-মাংস খোৱাত বাধা-নিষেধ দেখা নাযায়। ভাৰতৰ অন্য ঠাইৰ দৰে উচ্চ-হিন্দুসকলেও ইয়াত নিৰামিষ আহাৰৰ পৰিৱর্তে আমিষ আহাৰ গ্রহণ কৰা দেখা যায়।
- পৰিৱেশ্য কলাত অসম চহকী। ওজাপালি, পুতলা নাচ, দেওধনি নৃত্য, দেৱদাসী নৃত্য প্রভৃতি সম্পদত অসম অতিশয় চহকী।



৪.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, লীলা গগৈ (১৯৮৪); *অসমীয়া লোকসাহিত্যৰ ৰূপৰেখা*; ডিব্ৰুগড় ঃ বনলতা।

২) গগৈ, লীলা গগৈ (১৯৮৬); *অসমীয়া সংস্কৃতি*; ডিব্ৰুগড় ঃ বনলতা।

৩) গোস্বামী, প্ৰফুল্ল দত্ত (১৯৮৬); *অসমীয়া জনসাহিত্য*; গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

৪) গোস্বামী, প্ৰফুল্ল দত্ত (১৯৯৩); *বাৰ মাহৰ তেৰ গীত*; নতুন দিল্লী ঃ সাহিত্য অকাডেমী।

৫) নেওগ, মহেশ্বৰ (১৯৬৬); *পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৬) নেওগ, মহেশ্বৰ (১৯৬৯); *অসমীয়া গীতি সাহিত্য*, যোৰহাট ঃ সাহিত্য সভা।

৭) বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৫৭); *অসমীয়া ভাষা আৰু সংস্কৃতি*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৮) বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৮৫); *অসমৰ লোকসংস্কৃতি*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৯) ভট্টাচাৰ্য্য, প্ৰমোদচন্দ্ৰ (১৯৬২); *অসমৰ জনজাতি*; গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

১০) ভট্টাচাৰ্য্য, প্ৰমোদচন্দ্ৰ (১৯৬৯); *অসমৰ লোক-উৎসৱ*; গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

১১) শৰ্মা, নবীন চন্দ্ৰ (১৯৯৫); *অসমীয়া লোকসংস্কৃতিৰ আভাস*; গুৱাহাটী ঃ বাণী প্ৰকাশ।

১২) নাথ, প্ৰফুল্ল কুমাৰ (২০০৪); *অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ ৰূপৰেখা*; গুৱাহাটী ঃ বাণী মন্দিৰ।

১৩) নাথ, প্ৰফুল্ল কুমাৰ (২০০৯); *অসমীয়া জনগোষ্ঠীয় ঐতিহ্য, সাংস্কৃতিক বিনিময় আৰু সংহতি*; গুৱাহাটী ঃ বুকলেণ্ড।

ইংৰাজী গ্ৰন্থ ঃ

1) Baruah, B. K. (1969); *A Cultural History of Assam*; Guwahati.

2) Baruah, K. L. (2nd ed.) (1966); *Early History of Kamrupa*; Shillong.

3) Gait, Edward (3rd ed.) (1984); *A History of Assam*; Guwahati: Assam Publication Board.

4) Kakati, B. (1967); *The Mother Goddess Kamakhya*; Guwahati: Assam Publication Board.

5) Nath, Rajmohan (1948); *The Background of Assamese Culture*; Guwahati: Lawyer's Book Stall.



৪.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰাচীন অসমত থকা চাৰিখন পীঠ হৈছে— ৰত্নপীঠ, কামপীঠ, স্বৰ্ণপীঠ আৰু সৌমাৰপীঠ। ...পীঠকেইখনৰ বিস্তৃতি অঞ্চল।

২নং প্রশ্নৰ উত্তৰ ঃ অসমৰ ভৌগোলিক অৱস্থান কেনেকুৱা সেই বিষয়ে সংক্ষেপে লিখিব লাগিব।

৩নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া জাতি গঠন প্রক্রিয়াত যিকেই জাতি, জনগোষ্ঠীৰ অৱদান আছে সেইসমূহৰ নাম উল্লেখ কৰিব লাগিব।

৪নং প্রশ্নৰ উত্তৰ ঃ প্রাচীন অসমত শৈৱ, শাক্ত আৰু বৈষ্ণৱ ধর্ম যি ৰূপ আছিল তাৰ চমু বিৱৰণ... ...সেই সেই ধর্মই মানুহক কেনেদৰে প্রভাৱিত কৰিছিল?

৫নং প্রশ্নৰ উত্তৰ ঃ প্রাচীন অসমত কেনে ধৰণৰ অলঙ্কাৰৰ প্রচলন আছিল... সেই সময়ৰ স্ত্রী-পুৰুষসকলে কেনে ধৰণৰ অলঙ্কাৰ পিন্ধিছিল তাৰ উল্লেখ।

৪.৯ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ অসম নামৰ উৎপত্তি সম্পর্কে চমুকৈ লিখক।

প্রশ্ন ২ ঃ অসমৰ ভৌগোলিক অৱস্থিতি সম্পর্কে এটি টোকা লিখক।

প্রশ্ন ৩ ঃ সমন্বয় আৰু সমাহৰণ বুলিলে কি বুজে? অসমীয়া সংস্কৃতিত কেনেদৰে সমন্বয় সাধিত হৈছে, লিখক।

প্রশ্ন ৪ ঃ ভাষা-সাহিত্য আৰু ধর্মত কেনেদৰে সমন্বয় সাধিত হৈছে?

প্রশ্ন ৫ ঃ উৎসৱ-অনুষ্ঠানত কেনেদৰে সমন্বয় সাধিত হৈছে?

প্রশ্ন ৬ ঃ সামাজিক লোকাচাৰ বুলিলে কি বুজে?

প্রশ্ন ৭ ঃ খাদ্য, সাজপাৰ আৰু সঙ্গীতত কেনেদৰে সমাহৰণ হৈছে লিখক।

প্রশ্ন ৮ ঃ পৰিৱেশ্য কলা বুলিলে কি বুজে? সংস্কৃতিৰ সমাহৰণত পৰিৱেশ্য কলাৰ ভূমিকা কেনে ধৰণৰ?

*** ***** ***